# ଭାଗ୍ୟ ପରୀକ୍ଷା

ଶ୍ରୀ [illegible]

Please keep the book
305. CLEAN.

# ভাগ্যপৰীক্ষা

( নাটক )

[ এম, এ, পৰীক্ষাৰ পাঠ্য ]

COTTON COLLEGE LIBRARY, GAUHATI.

লিখক

শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা
সাহিত্যৰত্ন।

দ্বিতীয় তাঙৰন—জুলাই ১৯৩৯

প্ৰকাশক

বৰকটকী কোং—যোৰহাট।

সৰ্ব্বস্বত্ব সংৰক্ষিত। দাম ৮০ অনা

*305.091*

# প্ৰথম তাঙৰণৰ পাতান।

"ভাগ্যপৰীক্ষা" লিখা আজি পাঁচ বছৰ হ'ল। তেতিয়াই অকল যোৰহাটতে কেইবা বাৰো অভিনয় কৰি, ইয়াক অত দিন সুমাই থৈছিলোঁ: আজি পেৰাৰ পৰা উলিয়াই ৰাইজলৈ আগ বঢ়ালোঁ।

সুবিখ্যাত বিদেশী গ্ৰন্থ এখনৰ সাধুকথা এটি অৱলম্বন কৰি এই নাট লিখা হৈছে। কিন্তু ইয়াক ঘৰুৱা কৰিবলৈ যত্ন কৰোঁতে কৰোঁতে, সেই সাধুৰ ইয়াত অকল জুমুৰিটোহে থাকিলগৈ; তাৰ ওপৰৰ মাটি, ফটাকানি, বৰণ, ৰাং-পতা আৰু আ-অলঙ্কাৰ আদি লিখকৰ নিজা। ভাগ্যক সাৰোগত কৰি বহি থাকিবলৈ শিক্ষা দিয়াটো এই নাটৰ উদ্দেশ্য নহয়। ধনৰ লগত সুযোগ আৰু সুবুদ্ধিৰ কিমান প্ৰয়োজন, তাক দেখুৱাবলৈহে ইয়াত যথাসাধ্য যত্ন, কৰা হৈছে। সেই যত্ন কিমান ফলৱতী হৈছে, পাঠক-পাঠিকাসকলেহে ক'ব পাৰিব।

ইয়াৰ লগতে গানবিলাকৰ স্বৰলিপি প্ৰকাশ কৰিবৰ মন আছিল;. কিন্তু, কৰিব নোৱাৰিলোঁ। আৱশ্যক দেখিলে পাচতো কৰিব পৰা হ'ব।

শ্ৰীযুত লোহিতচন্দ্ৰ ভূঞাই, এই নাট ছপাওঁতে, মোক অশেষ সাহায্য কৰিছে। সেই বাবে তেখেতৰ ন'থৈ শলাগ লৈছোঁ।

যোৰহাট } শ্ৰীচন্দ্ৰধৰ বৰুৱা

২৯।৮।১৯১৬

# দ্বিতীয় তাঙৰণৰ পাতনি।

আগৰ বাৰৰ "ভাগ্যপৰীক্ষা" ছুকাবৰ ভালে বছৰো হ'ল। তথাপি নানা কাৰণত ইয়াক অত দিনে আকৌ ছপোৱা নাছিলোঁ। এতিয়া অনেকে বিচাৰ কৰাত ইয়াৰ দ্বিতীয় তাঙৰণ ছপাবলৈ দিলোঁ।

এই বাৰ ইয়াৰ ৩য় অঙ্কৰ ২য় দৰ্শনটোত ভালেখিনি সালসলনি কৰা হ'ল। ভদীয়া নামেৰে, নাটত নতুন মানুহ এজনো সুমাই দিয়া হ'ল; আৰু ৩য় অঙ্কৰ ৫ম দৰ্শনটো নতুনকৈ লগাই দিয়া হ'ল।

যোৰহাট
১২।৭।১৯৩৯

শ্ৰীচন্দ্ৰধৰ বৰুৱা।

# নাটৰ মানুহ।

## ( মুনিহ )

পানীৰাম—দুখীয়া মানুহ

বুধন—পশ্চিমীয়া তেলীয়া

পাহ্‌বৰ—দোকানী

ধূলিৰাম—পাহবৰৰ সহকাৰী

কৃষ্ণকান্ত—আমোলা

গেন্ধেলা—সত্ৰৰ ওজা

জলন্ত—সত্ৰৰ ভকত

ৰামচন্দ্ৰ—কনিষ্টবল

ৰূপেশ্বৰ—পানীৰামৰ ওচৰ-চুবুৰীয়া

ভদীয়া—ৰূপেশ্বৰৰ সখিয়েক

মাণিকলাল—জহৰী

মোহনচন্দ্ৰ—শিক্ষিত ডেকা

গোপীনাথ—আদহীয়া ভালমানুহ

বগাই }<br>
বিজুৰা } পানীৰামৰ লগুৱা

সন্ন্যাসী বাবু, সুন্দৰপুৰৰ ৰজা,

দুৱৰী, কালোৱাইত, সভাসদ বেশেৰে ধনকন্যা আৰু ভাগ্যকন্যা।

## ( তিৰোতা )

ধনকন্যা—ধনৰ অধিষ্ঠাত্ৰী দেৱতা

ভাগ্যকন্যা—ভাগ্যৰ অধিষ্ঠাত্ৰী দেৱতা

মাণিকী—পানীৰামৰ ঘৈণীয়েক

সুমথিৰা—ৰূপেশ্বৰৰ ঘৈণীয়েক

মালতী—মাণিকলালৰ ঘৈণীয়েক

সুন্দৰপুৰৰ ৰাণী, নৰ্ত্তকীসকল, ধনকন্যা আৰু ভাগ্যকন্যাৰ সখীসকল।

## শুদ্ধাবলী

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ২৩ | ১২ | ইমান ন | ইমান খন |
| ২৬ | ৩ | স কটা | সি কটা |
| ৩২ | ৯ | চিলনীজনা | চিলনীজনী |
| ৫০ | ৯ | হৈছিল | হৈছিল ? |
| ৫৩ | ১৫ | কথাৰ | কথাৰ |
| ৫৬ | ৫ | ৰূপে | ৰূপ |
| ৬১ | ৪ | পঠাইছে | পঠাইছে |
| ৭[illegible] | ১৮ | ঘৈনীৰ | ঘৈণীৰ |
| ৭[illegible] | ৯ | হাতে | হাততে |
| ৮০ | ২ | হয় | হয়। |
| ৮০ | ১০ | চন্তা | চিন্তা |

# ভাগ্যপৰীক্ষা

## প্ৰস্তাৱনা।

### হিমালয় শৃঙ্গ।

### নৃত্য গীত।

ধনকন্যা— ধন্য ধন্য ধন্য ধন্য ধনেই ধন্য ধৰণীত।
ধন পালে হয় অভাৱ নষ্ট, নৰয় কষ্ট কদাচিৎ।
ধনক ৰাখে প্ৰাণক এৰি
ধৰম কৰম পৰিহৰি
চেনেহ মৰম ধৰম কৰম ধনৰ আগত পৰাজিত।
ধনেই কৰে সকক ডাঙৰ
নগৰ সাগৰ সাগৰ নগৰ
ধনৰ বলৰ দৰে আৰু কাৰ আছে বল আচৰিত।

( নৃত্য গীতেৰে ভাগ্যকন্যাৰ প্ৰবেশ )

## গীত।

ভাগ্যকন্যা— কোনে বোলে ধনক ধন্য, ধন কদাপি ধন্য নহয়।
ধনে কি কৰিব পাৰে, ভাগ্য যদি নহয় সদয়।
ভাগ্য যাৰ উদয় হ'ব
মাটি ফাটি ধন ওলাব
জয়-জয় মন-ময় যেনি তেনি, নদন-বদন ঘৰত সদায়।
ভাগ্য নেথাকিলে হ'লে
কি কৰিব ধনৰ দ'লে
মুঠিৰ ধনো উড়ি যাব, সংগৰ ছুলেও যাব শুকাই।
ভাগ্যৰ গুণে শিলত পানী
পায় মানুহে ফণীত মণি
ভাগ্যৰ দৰে বল একো নাই, জানে সদায় জনা বুজাই।

ধ-ক— ভাগ্যকন্যা, ভাবি চোৱা,
ধনৰ নিচিনা কাৰ অতুল মহিমা।
থাকিলে ধনৰ বল
কি বল লাগিছে আৰু ?
ধনে যাক নোৱাৰে কৰিব,
এনে কাৰ্য্য নাই জগতত।

ভাগ্যে শুদা, কি কৰিব পাৰে
ধন যদি নেথাকে সহায় ?

ভা-ক　ধনকন্যা, নাই বল ধনৰ সমুলি।
ধনৰ যি বল দেখি,
জোনৰ পোহৰ যেনে, নিজৰ নহয় ;
ভাগ্যৰেহে বল সিও ;
অবুজন জনে জানে ধন-বল বুলি।
ভাগ্য নেথাকিলে, ধনত সকাম নাই,
নোৱাৰে কৰিব একো ধনে ;
ভাগ্য হলে, এনেয়ে ওলায় ধন,
ধনৰ নাটনি বুলি
ন'হৈ নেথাকে কোনো কাম।

ধ-ক —　কি হব মুখেৰে ক'লে ?
আহাঁ বাক কৰি চাওঁ প্ৰমাণ ইয়াৰ।

ভা-ক—　দিনে দিনে জগতত
ইয়াৰেহে প্ৰমাণ সদায় ;
তেও যদি লাগে কিবা নতুন প্ৰমাণ,
কৰাঁ বাক, যেনে মন যায়।

ধ-ক—　আহাঁ তেনে, যাওঁ দুয়ো ছদ্মবেশ ধৰি।
সমুলি দুখীয়া চাই
কৰোঁ মই এজনক ধন বিতৰণ,
নেলাগে কৰিব তুমি সহায় একোকে,
অকল ধনেই চাবাঁ কি কৰিব পাৰে।

ভা-ক— যদি একো নোৱাৰে কৰিব ধনে ?

ধ-ক— তেনেহলে, দেখুৱাবাঁ তুমি,
আছে যদি কিবা বাক ভাগ্যৰ মহিমা।

ভা-ক— ভাল কথা,
আহাঁ বাক, হলোঁ মই সন্মত ইয়াতে।

## মৃত্য গীত।

দুয়ো— কেনি আহোঁ আমি কেনি যাওঁ ;
কোনে ক'ব পাৰোঁ কোৱাঁ চাওঁ।
(আমি) আহিব খুজিলে কোনে নিবাৰে
যাওঁ যদি কোনে ৰাখিব পাৰে ;
(আমাৰ) ছায়াৰ শৰীৰ
ভৰি বিজুলীৰ
যেনি মন যায় উড়ি যাওঁ।
(আমি) কেতিয়ানো আহোঁ যাওঁ কেতিয়া
গুণি গুণি গুণি গুণ নোপোৱাঁ ;
নোৱাৰোঁ ধৰিব
জানিব বুজিব
কিয় আহোঁ আমি কিয় যাওঁ।

# প্ৰথম অঙ্ক।

## ১ম দৃশ্য—আলি

( সদাগৰ বেশেৰে ধনকন্যা আৰু ভাগ্যকন্যা )

ধ-ক— ছদ্মবেশ ধৰিলা সুন্দৰ তুমি
নোৱাৰি চিনিব আৰু ভাগ্যকন্যা বুলি।

ভা-ক— তোমাকো নিচিনে কেৰে ধনকন্যা বুলি।

ধ-ক— চোৱাঁ চোৱাঁ, সুন্দৰ নগৰ!
যেনি চোৱাঁ, চকু জুৰ হয়
মনোহৰ দৃশ্য অতিশয়।
বহল বহল আলি, শিলেৰে বন্ধোৱা
দুয়ো কাষে তাৰ,
বছা বছা ধুনীয়া ধুনীয়া গছ
ফলি ফুলি আছে কেনে ঝক্-মক্ কৰি।
আলিয়ে আলিয়ে শোভে
শাৰী শাৰী প্ৰদীপৰ খুঁটা;
আন্ধাৰ ৰাতিত, জ্বলে নগৰত
তাৰাৰ মালাৰ দৰে
অগণন বৈদ্যুতিক প্ৰদীপ উজ্জ্বল।
ঠায়ে ঠায়ে সুন্দৰ যমুনা

ঠায়ে ঠায়ে বিতোপন প্ৰমোদ কানন
নন্দন কানন যেনে।
গোটেই নগৰ জুৰি,
ৰাজ-ভৱনৰ দৰে
প্ৰকাণ্ড প্ৰকাণ্ড ঘৰে গগণ ভেদিছে;
মনোময় বিবিধ শিল্পৰ
চানেকি একোটি যেন প্ৰত্যেক ঘৰেই।
ঘৰে ঘৰে, মাৰ্জ্জিত ৰুচিৰে পতা
সুশোভন ফুলনি সুন্দৰ;
চকু জুৰ কৰে, মন প্ৰাণ হৰে
বতাহক সুবাস বিতৰে
ফুলা ফুলে ফুলনিৰ।

ভা-ক— সঁচা সখি, সুন্দৰ নগৰ,
মনোহৰ দৃশ্য অতিশয়।

ধ-ক— চোঁৱা পুনু,
নগৰৰ ঘাটত সদায়
চাপিছে মেলিছে কত শত জল-যান;
উঠিছে নগৰ জুৰি বাণিজ্যৰ ঢৌ,
উথলি পৰিছে যেন গোটেই নগৰ।
ভাবি চোৱাঁ,
এই যে সকলোখিনি ধনেই কৰিছে;
সমস্ত নগৰে যেন
কীৰ্ত্তনিছে ধনৰ মহিমা।

ভা-ক— যদিও সকলোখিনি ধনেই কৰিছে,
কৰিব পাৰিছে
ভাগ্য আছে দেখি মাত্ৰ গুৰিত সহায়।
এই নগৰতে চোৰাঁ,
ৰাজ-ভৱনৰ দৰে
প্ৰকাণ্ড প্ৰকাণ্ড ঘৰ শোভিছে এফালে,
ইফালে দূৰত সৌ
দুখীয়াৰ পজা শাৰী শাৰী;
সোণৰ কাঁহীত,
নানা তৰহৰ উপাদেয় ৰাজভোগে
আমুৱায় এই ফালে,
সিফালে, এসাঁজ খায় আধা-পেটী ভাত,
লোণ তাতো নিমিলে শাকত।
দুখীয়া, সুখীয়া, দুয়ো একে প্ৰাণ ধৰে,
একেদৰে বশীভূত জনম মৃত্যুৰ,
অস্থি মাংস শোণিতেৰে
একেদৰে গঠিত শৰীৰ,
একে পৃথিৱীতে থাকে,
একে জোন, একে বেলি
একে বায়ু উভয় জনৰে;
তথাপিতো,
ইমান প্ৰভেদ কিয় হয় অৱস্থাৰ?
ভাগ্য মাত্ৰ কাৰণ ইয়াৰ।

ধ-ক— তাকেহে কৰিব লাগে প্ৰমাণ এতিয়া।

ভা-ক— সৌ যে দেখিছাঁ পঁজা
তাতে এটি দৰিদ্ৰৰ বাস;
নিচেই দৰিদ্ৰ
কোনোমতে প্ৰবৰ্ত্তিছে মাথোঁ;
তাৰ প্ৰতি বিমুখ এতিয়া মই
সুপ্ৰসন্ন হ'ম কিন্তু অলপ দিনতে।
এয়ে হ'ব উপযুক্ত পাত্ৰ পৰীক্ষাৰ।
দিয়া ধন এই দৰিদ্ৰক,
চোৱা হক
কি কৰিব পাৰে ধনে, ভাগ্য নেথাকিলে।
হাৰাঁ যদি তুমি,
পাচত তেতিয়া
দেখুৱাম বাৰু মই ভাগ্যৰ প্ৰভাৱ।

ধ-ক — বঢ়িয়া উপায় এয়ে;
আহাঁ তেনে নকৰোঁ পলম আৰু।

(দুইৰো প্ৰস্থান)

## ২য় দৃশ্য—পানীৰামৰ ঘৰ।

( বিমৰ্ষ মনেৰে পানীৰামৰ প্ৰবেশ )

পানীৰাম। হৰি গুৰু শঙ্কৰ! হেৰ জেতুকী-মাক, এহেলৈ হোচোন। প্ৰভু, আজি ভাল চৰ্থৰীয়াত পেলালা! মিছাতে ব'দে ব'দে অতখন টলৌ টলৌ কৰি ফুৰিলোঁগৈ; কামৰ ফালে একোটো ন'হল। কালি জানিবা, মৰা-পাটু এমুঠি আছিল, তাৰেই ফই এডাল বাটি, তাকে বেচি শিকি এটা উলিয়াই. কোনো-মতে আধা-পেটীকৈ ভাত এসাঁজৰ দিহা কৰিলোঁ। আজি এতিয়া কৰোঁ কি!

( মাণিকীৰ প্ৰবেশ )

মাণিকী—অত বেলিলৈকে নো ক'ত ফুৰিলাঁগৈ?

পানী—অত বেলিলৈকে ফুৰিও যে একো কৰিব নোৱাৰিলোঁ! ধনাই ক'লীয়া, সোণাৰাম, পাহ্বৰ, ইহঁতৰ ঘৰে ঘৰে গৈ, কতনো কাকুতি কৰিলোঁ, তেও মোক আধেৰ মৰা-পাটু কালিয়নে দিওঁতা ন'হল। কিয়নো দিব? অলপ ৰস্-পম্ থকা যেন দেখিলেহে মানুহে মানুহ যেন দেখে; আমাৰ নিচিনা নোম-দৰিদ্ৰক কোনেও পাই এটালৈকে নপতিয়ায়।

মাণি—নপতিয়ায়, নেলাগে পতিয়াব। দুখীয়া বুলি কিবা সিহঁতৰ ঘৰত পৰি আছোঁগৈ নে? নাই কাৰবাৰ ঘৰত চুৰ কৰিবলৈকে গৈছোঁ?

আমাক দুখীয়া দেখি মানুহে নপতিয়াওক, সেইটো লাজৰ কথা নহয়। চোৰ ডকাইত বুলি ঘিণালেহে বেয়া।

পানী—হেৰ, সেইটো বুজিছোঁ। মই জানো কিবা এতিয়া সেই বাবে বেয়া পাইছোঁ? বোলে "সৰাতকৈ ডাঙৰ হবি কথা, তাতোকৈ ডাঙৰ চাউল কঠা।" এতিয়া সেই চাউল কঠাই গুলায় কৰ পৰা, সেইটো ভাবিহে বিমোৰ হৈছোঁ। কালি গধূলি সেই আধা-পেটী ভাত; দুপৰীয়া বাৰু আনকালো নাই, আজিও নাই; গধূলিকৈ তেও এগাল খাব লাগিব? এতিয়ানে সেয়ে হয় কেনেকৈ?

মাণি—বাৰু আজি গধূলিৰ উপায় পাম। খুদ্ চাউল গোটাদিয়েক আছে; তাকে সিজালে জোৰা মৰিব; হয়ো যদি এমুঠি কম হ'ব।

পানী—ভাত জানিবা সেয়ে হ'ল; তাকে গিলিবলৈ তেও লগত কিবা এটা লাগিব?

মাণি—দেশত কিবা কচু শাকৰ মাকালে খাইছে নে? লোণ-তেলহে নাই হ'বলা; নাই, নাই; এদিন জানিবা লোণ-তেল নেখালোঁৱেই।

পানী—আজি জানিবা এই দৰেই জোৰা মৰিব; কাইলৈ আকৌ খুদ্ চাউলো নাই নহয়? দিনটোৰ মূৰত এসাঁজীয়াকৈয়ে আধা-পেটা ভাত এগালো নেপালেনো মানুহ থাকিব পাৰেনে? আমাৰ কপালত লঘোনে লঘোনে আঁত শুকাই মৰিবলৈহে লেখিব পায়!

মাণি—বাৰু আজিৰ লেঠা আজি মৰক, কাইলৈ আকৌ পাচ কথা। হৰিয়ে এটা জোৰা মাৰিব; কৰিঙ্গলৈকো কচু এডাল দিছে, আমাক নো আৰু খাবলৈ নিদি মাৰিবনে?

( সদাগৰ বেশেৰে ধনকন্যা আৰু ভাগ্যকন্যাৰ প্ৰবেশ ; মাণিকীৰ প্ৰস্থান )

ধ-ক—তোমাৰে নাওনে পানীৰাম ?

পানী—হৈছে।

ধ-ক—তুমিয়েই ফই বাটাঁ নে ?

পানী—হয় ; কোনখিনিৰ পৰা বা অহা হৈছে ?

ধ-ক—আমি বহুতৰ মানুহ ; তোমাৰ নাম শুনি, লগ পাবলৈ আহিলোঁ ; এফেৰি দৰ্কাৰ আছে।

পানী—আপোনালোক, দেখিছোঁ, কোনোবা ডাঙৰ লোক। এতিয়া বহিবলৈনো দিওঁ কি ? মই ছাল-ছিগা ভিকহু। হেৰ, চাঙৰ ওপৰত টোপনি আৰি থোৱা মোৰ সেই জাৰ-কাপোৰখন উলিয়াই দে ; তাকে পাৰি দিওঁ বহিবলৈ।

ধ-ক—নেলাগে, নেলাগে থাওক ; আমাৰ অলপ কথা ; থিয়ৈ থিয়ৈ হ'ব।

পানী—পাচে, তেনে সকাম বা কি ?

ধ-ক—আমি সদাগৰ মানুহ ; নানা তৰহৰ বস্তু লৈ, দেশে বিদেশে বেপাৰ কৰি ফুৰোঁ। এই নগৰলৈ আহি শুনিলোঁ, তুমি হেনো মৰা-পাটৰ বঢ়িয়া বঢ়িয়া ফই বাটিব পাৰাঁ। সেই গুণে তোমাৰ গুৰিলৈ আহিলোঁ। তুমি আমাৰে সৈতে বন্দবস্ত কৰি লোৱাঁ, তুমি যিমান ফই বাটাঁ, সকলোখিনি আমি থাউকতে, তোমাৰ ঘৰবেপৰা কিনি নি থাকিমহি। তেতিয়া হ'লে, তুমি ফই বেচিবলৈ গৰাকী বিচাৰি ফুৰিব নেলাগে ; তাৰ উপৰিও, লাগে লোকতকৈ অলপ দামো বঢ়াই দিম।

পানী—সেইটো কৰিব পৰা হ'লে দেখোন তৰিবই পাৰোঁ! পাচে, তাকে কৰোঁ কেনেকৈ? দিনৌ, দহ জোৰা মাৰি কোনোমতে, মৰা-পাট একোমুঠি গোটাই আনো; তাৰেই ফই একোডাল বাটি, তাকে, আধামূলীকৈ হলেও, ততালিকে বেচি আনিলেহে খাবলৈ হয়; ন'হলে মোৰ লঘোন। তেনেহলে নো, আপোনালোকক ফই বাটি দিবলৈ, মই পোন প্ৰথমতে, মৰা-পাটকে পাম ক'ত? থাক কোনোবা স্বৰূপে যদি এমুঠি পাই, দুগছ এগছ বাটিবও পাৰোঁ, তেন্তে তাকে বেচি কিনি নানি, থাউকতে বেচিম বুলি, সাঁচি থ'লে, মই খাওঁ কি?

ধ-ক—সেই বাবে বাৰু চিন্তা কৰিব নেলাগে। আমি তোমাক এতিয়াই এশ টকা ৰূপ দি যাওঁ। তাৰে তাকৰীয়াকৈ টকাদিয়েক তুমি ভাঙ্গি খাবাঁ; আৰু ইখিনি ৰূপেৰে মৰা-পাট কিনি, ফই বাটি থৈ দিবাঁ। আমি আহি, হাততে ধন দি, এটাইখিনি ফই কিনি নিম। তেতিয়া সেই ধনেৰে আকৌ মৰা-পাট কিনি আনিবাঁ। এইদৰে কিছু দিনৰ মূৰত দেখিবাঁ, তুমি আৰু দুখীয়া হৈ নেথাকাঁ।

পানী—হে দেউতা ঈশ্বৰ, এনে কথা কিয় কয়? মই খুদ মগনীয়া ভিকহু, মোৰে সৈতে নো আপোনালোকে ধেমালি কৰিলে শুৱায় নে? মোৰ সাত পুৰুষতো এশ টকা ৰূপ দেখা নাই।

ধ-ক—আমি একো ধেমালি কৰা নাই; যি কৈছোঁ, স্বৰূপ কথা। এইটো জাল মোনাতে এশ টকা ৰূপ লেখি আনিছোঁ; তোমাক দিলোঁ, ধৰাঁ। মন পুতি কাৰবাৰ কৰিবাঁ, তোমাৰ উন্নতি হ'ব। আমি ফই নিবলৈ দুমাহ মানৰ মূৰত আহিম। এতিয়া বিদায় কৰিলোঁ।

( ধন-কন্যা আৰু ভাগ্য-কন্যাৰ প্ৰস্থান ; পানীৰামে ভেবা লাগ চাই থাকে ; মাণিকীৰ বেগেৰে প্ৰবেশ । )

পানী—হেৰ জেতুকী-মাক দেখিলি নে ?

মাণি—ওঁ, দেখিলোঁ তো ; মই বেৰ জুমি চাই আছিলোঁ নহয় ।

পানী—হেৰ সপোন নে দিঠক ?

মাণি—দিঠক, দিঠক ; কিয় সপোন হ'ব ?

পানী—নহয়, হেৰ জেতুকী-মাক, ই সপোনহে ; আৰু সপোনো সপোন, বৰ জবৰ সপোন ।

মাণি—নহয়, জেতুকী-বাপেক, দিঠক, দিঠক, তেনেই দিঠক ।

পানী—চাওঁ বাৰু তোৰ হাতটো দেচোন । ( মাণিকীৰ হাতত চিকোট্‌ মাৰি ) দুখ পাইছ নে ?

মাণি—উস্‌ ! উস্‌ ! উস্‌ ! এৰি দিয়াঁ, এৰি দিয়াঁ ; গোটেই বকটা ছিগি যাব এতিয়া ।

পানী—এঃ ! তোৰ ছিগি যোৱাটোহে টান হৈছে ! চাওঁ মোৰ হাতত টানকৈ চিকোট্‌ এটা মাৰচোন । ( মাণিকীয়ে চিকোট্‌ মাৰে ) হৈছে, হৈছে, থাওক । হওঁতে, দিঠক যেনেই লাগিছে । বাৰু, ৰূপগাল চাওঁহকচোন । ( দুয়ো ৰূপ চায় ) হেৰ, এই গাল নো ৰূপ নহয় নে ?

মাণি—কিয় ন'হব ? গালেই "নগজ্‌" গোটা গোটা চিকা ৰূপ ।

পানী—এ হে ! মোৰ হৰিৰ বন ! দুখীয়াৰ দুখ দেখিব নোৱাৰি, ঘৰতে মোনা ভৰাই ধন দি গ'লহি !

মাণি—মই ন'কৈছিলোঁ, বোলোঁ ফৰিঙ্গলৈকো কচু এডাল দিছে যেতিয়া, হৰিয়ে এটা জোৰা মাৰিব।

পানী—কৈছিলি হয়; ভাল ক'লি, ভাল লাগিল! হেৰ জেতুকী-মাক, তই মোৰ কোনোবা জনমৰ গোসানী আছিলি!

মাণি—ইঃ! এনে কথা ক'ব নেপায়।

## নৃত্য গীত।

পানী—জেতুকী-মাক, আজি বহালোঁ।
মাণি—জেতুকী-বাপেক, আজি বহালোঁ।
দুয়ো—আজি বহালোঁ, আজি বহালোঁ, আজি বহালোঁ।
পানী—ঘৰত নাছিল ফুটা কড়ি
মাণি—ধনৰ মোনা আহিল উড়ি
দুয়ো—ঘপহ্ কৰে কোঁচত পৰিল, ভাল আজি বজালোঁ।
পানী—ধন্য ধন্য পানীৰাম
মানী—মাণিকীৰো ল'বা নাম
দুয়ো—ঘৰত বহি এমোনা ধন ভাল আজি চপালোঁ।

পানী—এতিয়া ৰূপগাল ভালকৈ এঠাইত লুকাই থগৈ। পাচে থ'বি ক'ত? আমাৰ জানো লোকৰ দৰে কিবা পেৰা-পেটাৰি আছে!

মাণি—মই থ'ম দিহা লগাই; তুমি ভয় নকৰিবাঁ।

(ৰূপ লৈ প্ৰস্থান)

পানী—হেৰ, লোণ-তেল নাই বুলিছিল নহয়?

মাণি—(ভিতৰৰ পৰা) এৰা।

পানী—তেন্তে তাৰে এটকা লৈ আহ। মই বজাৰলৈ গৈ, লোণ-তেল অলপে, ধান এদোণ মানে আনোগৈ; আৰু মৰা-পাট, ডাল-চেৰেকো আনোগৈ।

( মাটিকলহ এটা লৈ মাণিকীৰ প্ৰবেশ )

মাণি—হোৱঁা, এই টকা ৰূপ। বেৰৰ আগতে তেলৰ চুঙাটো আছে; ধান আনিবলৈ পাচি এটা বিচাৰি লৈ তুমি যাবাঁ। মই ঘাটৰ-পৰা পানী একলহো আনোগৈ, গাটোও ধুই আহোঁগৈ।

পানী—পাচে, থ'লি ক'ত? ক'ৰবাত চোৰ চাৰিয়ে পায় বা?

মাণি—তোমাক নো কেলৈ তাৰ উহটো লাগিছে? মই থৈছোঁ ভালকৈ। মই বুঢ়ী-মাকে য'তহে থৈছোঁ, চোৰৰ আজোককাকেও তাৰ গম নেপায়।

( প্ৰস্থান )

( কানত থৈলালৈ বুধনৰ প্ৰবেশ )

বুধন—হ' মিতা, মিতা হ'।

পানী—ক'ৰ মানুহ, কি লাগে তোক?

বুধ—মিতা "তুঁচ" গুড়ি বিকিব? আছে তো, নগদা পইচা দিব, হামাকে দিবি।

পানী—হেৰ, তইঁতৰ বেঙুলীবোৰে যে ঘৰে ঘৰে তুঁহ গুড়ি বিচাৰি ফুৰ, তইঁতে নো তুঁহ গুড়িৰে কি কৰ? খাব নে কি?

বুধ—নাহি মিতা. কেনে খাবেক্? হামিলোক "তুঁচ" গুড়িকে বেপাৰ কৰিছে। যো মানুচ্‌কে গৰু বইলকে, নাই ঘোঁৰাকে দানাকে

দর্কাৰ হ'ব, হামাৰ পাছ্ কিনি লিব। হামি থোৰা মুনফা ৰাথকে বিক্ৰী কৰিব।

পানী—তইঁত এই বাৰ-বঙলুৱা শনাহী মানুহবোৰ সোমাই, আমাৰ দেশত ভাল টোকোনা বিদাবোৰ উলিয়ালিহি! ভালেতোহে দেশখনৰ চিৰি-বিধি নোহোৱা হ'ল! চাচোন, তইঁতৰ তাপত পথাৰৰ নৰা আৰু ঢেঁকীশালৰ তুঁহ গুড়িও নসৰা হ'ল।

বুধ—হামি কি খাৰাপ কৰিছে? তুমি "তুঁচ্" গুড়ি এইচাই ফেকি দিছে; হামি পইচা দিকে কিনিছে; তোমাৰ লাভ আছে কি লোক্সান আছে? আছে তো দিব মিতা, হামি বহুত দুৰ যানে লাগে।

পানী—সিদিনা এপাচি দেখিছিলোঁ; বাৰু মই চাওঁ, ৰ'বি।

( প্ৰস্থান আৰু তুঁহ গুড়ি এপাচি লৈ পুনঃ প্ৰবেশ )

এই পাচি আছে, নে; পইচা কিমান দিবি?

বুধ—এক পাচিমে এক পইচা পাবি, ঔৰ্ কেত্না লিবি?

পানী—নাই, নাই, এপইচালৈ নিদিওঁ।

বুধ—আচ্ছা লে' লে' দুপইচা লে'।

(পানীৰামে পইচা লৈ থৈলাত তুঁহ গুৰি বাকি দিয়ে; বুধনৰ প্ৰস্থান)

পানী—হক তেও, এই দুটা পইচাইনো ক'ৰ হয়? তুঁহ গুৰি পেলাই হে দিলোঁহেতেন। যাওঁ এতিয়া বজাৰৰ পৰা আহোঁগৈ।

( তেলৰ চুঙা আৰু পাচি লৈ প্ৰস্থান )

——:-(*)-:——

# তৃতীয় দৃশ্য—পাহবৰৰ দোকান।

( পাহবৰ আৰু ধূলিৰাম )

পাহবৰ—সেই কেৰাচিন্ তেলৰ টিন্‌বোৰত একোটা ফুটা দি, এসেৰ এসেৰ তেল উলিয়াই লগে; আৰু ফুটাবোৰ ৰাংপানীৰে জালি থগে। পাচে, টিনবোৰৰ তলিত ফুটা দিবি দেই, তেহে পোনে পোনেই চকুত নপৰা হ'ব। তেও যদি কোনোবাটো ঘেকেটি-খোৰা মানুহে লুটিয়াই বাগৰাই চাই, ধৰিব পাৰে, তাক ক'বি বুলি আমি ক'ব নোৱাৰোঁ; জাহাজত খালাচীয়ে চাগৈ তেল চুৰ কৰিলে।

ধূলিৰাম—বাৰু মই ক'ব জানিম। মই লাগে সাতবাৰ মান গোঁসাইৰ শপতকে খাম।

পাহ—খাবি তোন; আমাৰ বেপাৰী মানুহৰ কি গুৰু গোসাঁই আছে? মচুৰ মাহত শিল-গুটি মিহলালি নে?

ধূলি—কেলেই. ঘিঁউৰ টিনবোৰত নাৰিকলৰ তেল আৰু মচুৰ মাহ দহ মোণত দহ সেৰ শিল-গুটি একেদিনাই মিহলাই থৈছোঁ নহয়।

পাহ—দহ মোণ মাহত দহ সেৰ শিল-গুটি তাকৰ হ'ল।

ধূলি—শিল-গুটি আৰু নাই, মই কি কৰিম? বাৰু আধা মোণ মান ধূলিকে মিহলাই থ'ম।

পাহ—ধূলি নিদিবি; জোখোতে মাথোতে উড়ি যায়। তাত্‌কৈ, বালিকে দিবি; সি গধুৰ বস্তু, উড়ি যাব নোৱাৰে।

( পানীৰামৰ প্ৰৱেশ )

পাহ—এইবাৰ আকৌ কি হ'ল ?

পানী—এৰা, দিয়া মৰা-পাট আধেৰ ।

পাহ—মই তোক এতিয়াই কৈ পঠিয়াইছোঁ নহয়, বোলোঁ মোৰ ইয়াত তই কালিয়ন-বাহিয়ন কৰিবলৈ নাহিবি ; আকৌ কেলৈ চুপতি কৰিবলৈ আহিছ ?

পানী—বাক কালিয়নে দিব নেলাগে ; হোৱাঁ এয়া ধন লোৱাঁ ।

পাহ—( ধন লৈ ) অ' এইদৰে হলে কথাই নাই ; দোকান গোটেইখন নিলেও, এতিয়াই দিওঁ । ( মৰা-পাট দিয়ে ) তই এতিয়াই, ঘৰত পাই এটাও নাই বুলি শপত খাই, কালিয়নে মৰা-পাট নিবলৈ আহিছিলি নহয় ?

পানী—আহিছিলোঁ ।

পাহ—পাচে দেখোন সেয়া ধানো কিনি আনিলি, সেয়া লোণ তেলো আনিলি, আৰু এয়া মৰা-পাটো কিনিলিহি ; এতিয়া নো পাকটোতে ধন ক'ৰ ওলাল ?

পানী—এৰা, তেতিয়া পইচা নাছিল দেখি, সিমান কাকুতি কৰি, মৰা-পাট আধেৰ কালিয়নে খুজিলোঁ, তুমি নিদিলা । পাচে দুখীয়াৰ দুখ দেখিব নোৱাৰি, এতিয়া হৰিয়ে দুমহা দিলে । তোমাৰ মৰম নেলাগিল বুলি. গৰাকীজনৰো লাগিব নেপায় নে ।

পাহ—যা যা হেৰ, এনে কাণত নোসোমোৱা কথা ক'বলৈ নাহিবি । তোত্ কৈ ঘঁটীয়া এটা পোৱা নাই । হাতত ধন থাকোতেও, কালি-

য়ন কৰি, মোক ঠগিবলৈ আহিছিলি? ম'হৰ শিঙত কি কঁকিলা-দাৰ মাৰিবি! মইও বেপাৰী মানুহ; বেগত নোৱাৰ বলে।

পানী—তুমি নপতিয়ালে নো আৰু কি কৰিম?

(প্ৰস্থান)

(কৃষ্ণকান্তৰ প্ৰবেশ)

পাহ—ডাঙৰীয়া, আহক আহক, কি লাগে?

কৃষ্ণকান্ত—(মনতে) মই যদি পোনে-পোনেই আৰ্চী এখন লাগে বুলি কওঁ, সি আৰ্চীখনৰ মখনা হাতী এটাৰ দাম কৰিব। (শুনাই) মোক এটা ভাল ছাতি লাগে।

পাহ—কেনেকুৱা লাগে চাওক; এইবোৰ বঢ়িয়া বঢ়িয়া ছাতি আছে। (ছাতি এটা দেখুৱাই) এইটো যে ছাতি দেখিছে, ইয়াৰ যোৰৰ ছাতি, গোটে দহ টকাকৈ দিলেও, আমাৰ ইয়াত পাবলৈ নাই। নমুনা বুলি মুঠেই তিনটা ছাতি আহিছিল। আহি পোৱাহি দিনাই, এটা মোহিনীমোহন মুন্সিফে, এটা গোবিন্দৰাম উকিলে, দহ মহা দহ মহা ৰূপ পেলাই দি, বলেৰে নিয়াদি লৈ গ'ল; এই এটা আছে; বৰ বঢ়িয়া মাল।

কৃষ্ণ—এইটো মোৰ চকুত নেলাগিল।

পাহ—তেন্তে ইয়াৰ এটা নিয়ক। (আন এটা দেখুৱাই) দাম মুঠেই ছমহা; ইফালে বস্তুটো বৰ "মজবুদ"। আজি চাৰি বছৰৰ আগতে, এই নম্বৰৰ ছাতি এটা মোৰ পেহীৰ পুতেকে নিছিল। তাৰ লোৰৰ দণ্ডি থয় গৈ ভাগি ধুনা-শুনা হৈ গৈছে, তেও

যেনে কাপোৰ তেনেই আছে। এই চালানত বাৰ দৰ্জন আনিছিলোঁ ; থাপতে উড়ালে ; এই মাথোন দুটা বাকী আছে।

কৃষ্ণ—উহুঁ ; মোক লগা বিধৰ ছাতি ইয়াত নাই।

পাহ—আপোনাক নো কেনে লাগে ?

কৃষ্ণ—কাপোৰডোখৰ ৰেচমী হ'ব লাগে।

পাহ—সেইবোৰ নহয় ৰেচমী।

কৃষ্ণ—পাচে, এইবোৰ "ষ্প্ৰিং" থকা ; মোক "ষ্প্ৰিং" নথকা লাগে।

পাহ—কিয়, সেয়া "ষ্প্ৰিং" নথকাও আছে নহয় ?

কৃষ্ণ—আছে বুলি, ইয়াৰ নালবোৰ লোৰৰ ; মোক লাগে বাঁহৰ নালৰ।

পাহ—বাঁহৰ নালৰো আছে ; ৰ'ব বাৰু, মই দিওঁ।

কৃষ্ণ—অ' মই পাহৰিছে বাঁহ বুলিছোঁ ; মোক কাঠৰ নালৰহে লাগে।

পাহ—তেন্তে, মোৰ ইয়াত নেপায় ; আন ঠাইত বিচাৰকগৈ।

কৃষ্ণ—এৰা, ন'হলে কি কৰিবাঁ ! (যাব খুজি) অ', এই আৰ্চীথনৰ দাম কিমান হেঁ ? মোক হওঁতে নেলাগে ; তেও শস্তা দামত পালে লৈ থ'ব পাৰোঁ।

পাহ—দাম কৰিম নে ঠিক কথা ক'ম ?

কৃষ্ণ—ঠিক কথা ক'বাঁ আকৌ

পাহ—তেন্তে, এটকী ৰূপ দিব।

(কৃষ্ণকান্তৰ বেগেৰে প্ৰস্থান)

ডাঙৰীয়া. লৰ মাৰিলে কিয় ? কি দিব খোজে কৈ যাওক চোন।

কৃষ্ণ—(ভিতৰৰ পৰা) আঠ অনাত দিবাঁনে ?

পাহ—(মনতে) আঠ অনাত বেচিলেও, চাৰি অনা লাভ থাকে। বাৰু তাৰ ওপৰে কি সৰকাব পাৰোঁ চাওঁ। (শুনাই) হাও! নপৰে; তেও যদি নিব খুজিছে, পোন্ধৰ অনা দিয়ক।

কৃষ্ণ—(ভিতৰৰ পৰা) মই দহ অনাত্‌কৈ এটা পইচাও নিদিওঁ।

পাহ—তেন্তে গুচি যাওক; ভালক ভালে কেতিয়াও নেপায়। (অলপ চাই থাকি) সঁচাকৈয়ে গলেই হ'বলা! উভতি উভতি চাই যাবলৈকো এৰিলে! হেৰ, মাতচোন মাত, মাত; চিঞৰ ধৰ।

ধূলি—(চিঞৰি) হেৰি ডাঙৰীয়া, হেৰি, শুনি যাওক।

(কৃষ্ণকান্তৰ পুনঃ প্ৰবেশ)

পাহ—মূলে মূলেই এৰি দিলোঁ; এটা পইচা যদি লাভ ৰাখিছোঁ গুৰু ভকতৰ অন্তৰ। তেৰ অনা পইচা দিয়ক, লৈ যাওক।

কৃষ্ণ—বাৰু দিয়োঁ যদি, বাৰ অনাত দিয়োঁ, ন'হলে থাওক।

পাহ—বাৰ অনাত দিলে এক অনা পইচা লোক্‌চান্ হয়; বাৰু আৰু দুটি পইচা দিয়ক।

কৃষ্ণ—তেন্তে থাওক, মই আহিলোঁ।

পাহ—বাৰু হোঁৱক, হোঁৱক, লৈ যাওক; আপোনাক হে লাগে।

(পইচা দি আৰ্চী লৈ কৃষ্ণকান্তৰ প্ৰস্থান)

যা, ঠগিলোঁ; লাভকে ৰাখিলোঁ আঠ অনা।

——:-(*)-:——

# ৪র্থ দৃশ্য—পানীৰামৰ ঘৰ।

(পানীৰাম আৰু মাণিকী)

মাণিকী—দুৱাৰ-চুকৰ তুঁহ-গুড়িৰ পাচিটো ক'লৈ গ'ল?

পানীৰাম—কেলৈ, মই সেইটো পাচিতে কালি ধান কিনি অনাগৈ নাই?

মাণি—পাচিটো পাইছোঁ; তাৰ তুঁহ-গুড়িবোৰ কৰিলা কি?

পানী—তই কালি পানী আনিবলৈ যাওঁতে, বেঙ্গুলী এটাক বেচি দি ছুটা পইচা লৈ থৈ'ছোঁ, বাপেকে।

মাণি—কি! মই তাতে বস্তু এটা থৈছিলোঁ নহয়. ক'ত থ'লা?

পানী—তাত কি বস্তুটো আছিল অ'? মই তাত একো বস্তু-বেহানি পোৱা নাই। সেই বেঙ্গুলীটোৱেই দেখিছে নহয়; তাৰ থৈলাত তুঁহগুড়িখাল ঢালি দি, পাচিটো আজৰাই লৈ, মই বজাৰলৈ গুচি গৈছোঁ।

মাণি—কি ক'লা? খালা, খালা! ভালটোকে কৰিলা নহয় আৰু?

পানী—কিটো কৰিলোঁ অ'? কিনো হ'ল?

মাণি—হ'বলৈ আৰু কি আছে? যি হ'ব লাগে. হ'ল; কালিৰ সেই ধনৰ মোনাটো তুঁহ-গুড়িৰ মাজতে সুমাই থৈছিলোঁ।

পানী—হেৰ, কি নো কৰ! উস্, খালি, খালি, খালি; মোক জীয়াতে টঙ্গনিয়াই মাৰিলি! পোনে পোনেই এটকা কম এশ ৰূপ! ভাবিছিলোঁ বোলোঁ দুখীয়াৰ দুখ দেখি হৰিয়ে চকু মেলি চালে। হেন্ কৰিম, তেন্ কৰিম বুলি কত নো মনতে পাঙ্গিছিলোঁ। উস্! ইয়াকে বোলে "বিধতাই দিলেও তিৰোতাই নিদিয়ে।" এতিয়া

লাভৰ ভিতৰত টেঁটুত এশ টকা ৰূপৰ ধাৰ লাগিল। ঘৰে দুৱাৰে বেচি, মতা তিৰোতা হালেই বন্দী সোমালেও, এই জনমত এইখিনি ধাৰ শুজিব পাৰিম নে? ভাল মৰিয়াই মাৰিলি তই মোক ভাল মৰিয়াই মাৰিলি!

মাণি—তুমি নিজ হাতে বেঙ্গুলীক ধন দি পঠিয়ালাঁ, তেও আকৌ জগৰটো ঘূৰি মোৰ গাতহে লাগিল? তুমি নো তুঁহ-গুড়ি বেচিছিলাঁ কিয়? নেবেচা হ'লে ধন যাবলৈ নেপায়েই নহয়।

পানী—হেৰ কোনোবাই নো তুঁহৰ পাচিত ধন থয়? তই তুঁহ-গুড়িৰ মাজত এশ টকাকৈ ৰূপ সুমাই থৈছ বুলি. মই সৰৱজান হ'ব লাগিছিল নে? মই সুধিছিলোঁ নহয়, বোলোঁ ক'ত থ'লি; তেতিয়া ন'কলি কিয়? তই যে ধন থ'বলৈ আৰু ঠাই নেপালি, মই কেনেকৈ জানিম?

মাণি।—মইও নো আকৌ ইমান অজ্ঞান হয়গৈ বুলি কেনেকৈ জানিম? মই চালোঁ বোলোঁ ইয়াত ধন আছে বুলি কোনেও নেভাবে; সেই দেখি কোনেও গম নেপাওক বুলিহে তাত থৈছিলোঁ।

পানী।—এতিয়া কৰোঁ কি! বেঙ্গুলীটোকে বিচাৰি যাওঁ বুলিবলৈ, সি বা ক'ৰ মানুহ কোনখিনি পালেগৈ তাৰ কি "টায়ন্" আছে! আৰু তাক পলেও, সি নো আৰু মোক ৰূপ ওভোতাই দিব খুজিছে নে? যেই হওক, যাওঁ এবাৰ বিচাৰি।

(প্ৰস্থান)

মাণি।—মইও চোন বাৰু ওচৰ চুবুৰীয়া মানুহ কেইঘৰত পাক মাৰি আহোঁ; কি জানি সি আজিও আকৌ তুঁহ-গুড়িৰ লোভত আহিছেই।

(প্ৰস্থান)

—(:০:)—

## ৫ ম দৃশ্য—হিমালয়ৰ ওচৰৰ উদ্যান।

( ধনকন্যা আৰু ভাগ্যকন্যা, নিজ বেশেৰে )

ভাগ্যকন্যা—দিলোঁ হয় ধন তুমি,
দেখিলোঁ নহয়
দিয়া মাত্রে কেনি উড়ি গ'ল ?

ধনকন্যা—উড়ি গ'ল, সাৱধানে নৰখাৰ বাবে ;
আকস্মিক ঘটনা মাথোন,
কিবা ৰূপে ঘটিল হঠাৎ।
ইয়াতে নির্ভৰ কৰি,
উচিত নহয়,
নকৰোঁ প্রত্যয়
কোনো কথা কদাচিৎ মই।
তুনাই এবাৰ চাম
দিম ধন আকৌ এবাৰ
তেও যদি নোৱাৰোঁ কৰিব একো
এৰিম তেতিয়া বাৰু,
দেখুৱাবাঁ ভাগ্যবল তুমি।

ভা-ক—দিয়া ধন,
চোৱা বাৰু আকৌ এবাৰ,
উড়ি যাব আকৌ কেনিবা।
ভাগ্য নেথাকিলে, ধন যায় এই দৰে,
নতুবা, থাকিও একো নোৱাৰে কৰিব।

ধ-ক—যাওঁ আহাঁ,

চাওঁ বাৰু ইবাৰ কি হয়।

ভা-ক—ব'লা বাৰু যাওঁ।

(নৃত্য গীত)

দুয়ো — আমি দুয়ো সখী যাওঁ;

মলয়া বায়ুত নাচি উড়ি উড়ি যাওঁ।

পৰ্ব্বতৰ টিঙে টিঙে

সাগৰৰ ঢৌৱে ঢৌৱে

আকাশে পাতালে আমি যেনি তেনি যাওঁ।

# দ্বিতীয় অঙ্ক।

## ১ম দৃশ্য—পানীৰামৰ ঘৰ।

পানীৰাম আৰু সদাগৰ বেশেৰে ধনকন্যা আৰু ভাগ্যকন্যা)

পানীৰাম—আৰু সেই দিন ধৰি আজিলৈকে, গৰু বিচৰাদি বিচাৰি তেনেই চ'লথ্ কৰিলোঁ, তেও সেই বেঙ্গুলীটোৰে দেখা-দেখি ন'হল।

ধনকন্যা—নহয়, কথাৰ গুৰিতে লেঠা; তুমি একেৰি সাৱধান হ'ব লাগিছিল।

পানী—হে ডাঙৰীয়া, মই নো কেনেকৈ জানিম? মই চালোঁ, পইচা দুটা পাইছোঁ, তুঁহ-গুড়িগাল দি লৈ থওঁ। তাৰ ভিতৰত এটকা কম এশ ৰূপ থকা বুলি জনা হ'লে, সি কটা বেঙ্গুলীয়ে, দুপইচা নেলাগে দহ পইচা দিয়া হলেও, মই দিওঁ নে?

ধ-ক—এৰা, ধন থোৱা ঠাইডোখৰেই বেয়া হ'ল। ততথিনি ধন তুঁহগুড়িৰ ভিতৰত থ'ব নেলাগিছিল

পানী—সেয়া, মই তাকে ক'বৈ লাগিছোঁ, তাই নুশুনে। হেৰ, এয়া জনা-বুজা লোকে কি কৈছে, এতিয়া সেই পিনে কাণ পাতি শুনচোন! তাই কয়, বোলে মই তুঁহগুড়ি বেচা বাবে, মোৰ গাতহে জগৰ; তাই যে তাৰ মাজত মনে মনে ধন সুমাই থৈছিল, সেই বাবে হেনো তাই সমূলি নিজগৰীয়া। এয়ে মোক মৰা পেলালে, মোৰ দেউতাসকল, মোক মৰা পেলালে!

ভাগ্যকন্যা—সেইবোৰ দুখ কৰি থাকিলে আৰু কি হ'ব? এতিয়া পাচে, কৰোঁ কি?

পানী—কৰিম কি? মই নগমে মৰা পৰিলোঁ; মোৰ আৰু কি কৰিবৰ উপায় আছে? আপোনালোকে মাৰে মাৰক, কাটে কাটক; যিহকে কৰে, মই তাতে সৈমান

ধ-ক—আমি জানো কিবা তোমাক মাৰিব কাটিবলৈ আহিছোঁ? পাৰিলে, তোমাৰ উপকাৰ কৰিবলৈহে আহিছোঁ। এতেকে, তোমাক আমি আকৌ এশ টকা ৰূপ দি যাওঁ; তুমি ভালকৈ গা-লাগি কাৰবাৰ কৰা।

পানী—আপোনালোক কোন? মোক চিনাকি দিয়কচোন।

ধ-ক—আমি কোন, বাৰু এতিয়া নেলাগে; পাচত সময়মতে চিনাকি পাবাঁ।

পানী—কাটিলেও মোৰ গাত তেজ নোলায়; তাৰ উপৰি মোক আপোনালোকে চিনি নেপায়; সিদিনা এমোনা ধন দি গ'ল; মই, সেই দিনাই হেৰুৱালোঁ; সেইটো মানুহকে আকৌ ঘূৰি কি সাহেৰে আপোনালোকে অতবোৰ ধন দিবলৈ আহিছে? এইখিনি ধনো যদি কেনেবাকৈ লোক্‌চান্ হয়, তেন্তে এই ভিকহু মানুহটোৰ পৰা এই দুশকৈ ৰূপ আপোনালোকে কেনেকৈ উলিয়াই ল'ব?

ধ-ক—সেই বাবে একো কথা নাই। তুমি ভালকৈ ব্যৱসায় কৰিব পাৰিলে, আমাৰ এই দুশ টকা ওলাবলৈ কেই দিন লাগিছে? আৰু যদি তোমাৰপৰা উলিয়াবও নোৱাৰোঁ, তেনে হলেও, আমাৰ যিটো কাৰবাৰ, তাত এই দুশ টকা একেবাৰেই লোক্‌চান হলেও, আমাৰ গাত নেলাগে। এয়া, আকৌ এশ টকা দিলোঁ; (ধনৰ মোনা দি) এইবাৰ ভালকৈ সাৱধানে ৰাখিবাঁ। এতিয়া আমি আহিলোঁ।

পানী—হে দেউতাসকল, মইনো আৰু কি ক'ম? আপোনালোক মোৰ কোনোবা জনমৰ আই-বোপাই আছিল। এটাইবোৰ ধনী মানুহ আপোনালোকৰ দৰে হোৱা হ'লে, এই পৃথিৱীখনেই বৈকুণ্ঠ হ'লহেতেন।

(ধনকন্যা আৰু ভাগ্যকন্যাৰ প্ৰস্থান; মাণিকীৰ প্ৰবেশ)

মাণিকী—এইবাৰ আৰু তুঁহ-গুড়িৰ পাঁচিত কেতিয়াও নথওঁ।

পানী—বাৰু হৈছে; এইবাৰ আৰু সি কথা নহয়। এইবাৰ তোমাৰ ভঁৰালী পাগা নেযায়। "এবাৰ সাপে খালে, দোৰা বাৰ লেজুতো ভয়।"

মাণি—তুমি নো ক'ত থ'বা?

পানী—বাৰু মই ব'ত থওঁ থ'ম। চাওঁ, তোৰ চেলেং কাপোৰখন উলিয়াই আন।

(মাণিকীৰ প্ৰস্থান)

(মনতে) ইয়াৰে এটকা উলিয়াই থওঁ। (ফুটাই) হেৰ মোৰ লাখুটিডোখৰো লৈ আহিবি।

(এটকা উলিয়াই লয়)

(চেলেং আৰু লাখুটি লৈ মাণিকীৰ প্ৰবেশ। পানীৰামে প্ৰথমতে চেলেঙৰ আগত ৰূপখিনি বান্ধে, তাৰ পাচত সেই চেলেঙেৰেই পাগুৰি মাৰি লৈ, ৰূপ বন্ধা আগটো পাগুৰিৰ ভিতৰত ভালকৈ লুকাই লয়)

এতিয়া আৰু খাওঁতে শোঁতে, উঠোঁতে বহোঁতে, দিঠকে সপোনে, আৰু ধুতিয়ে বিধুতিয়ে, মূৰৰ পৰা এই পাগুৰি সোলোকোৱা নেযায়। এইবাৰ কটা ধেঙৰ বেঙুলীয়ে নো কেনেকৈ ছলিবহি পাৰে চাওঁ। ইয়াৰে এই টকা লৈছোঁ। মাছ খাবলৈ আৰু গাহৰাৰ দৰে হ'লোঁ। বজাৰৰপৰা এফেৰা

মাছে আৰু মৰাপাট ভালচেৰেকে আনোগৈ। কি মাছ আনিম কচোন।

মাণি—আনিবলৈ হ’লে কাঁইটীয়া মাছবোৰ নানিবাঁ দেও। ভাল চাই ৰৌ বা বাহু, ন’হলে আৰি বা কচ, বা চিতল্ মাছৰ কোলঠি চকলদিয়েককে আনিবাঁ।

পানী—সেই বেঙ্গুলীটো ধনৰ গোন্ধ পাই কি জানি আকৌ ওলাবহি। তই চাই থাকিবি; আহিলে ঠুকিবকে নিদিবি। ভালকৈ বুটি ঠাই-সৰাৰে জাৰি দি, অপনাৰ মুখৰেপৰা খেদি দিবি।

মাণি—বাৰু তাক পালে, মই বুঢ়ীমাকে ভালকৈ মান ধৰিব জানিম।

(দুইৰো দুফালে প্ৰস্থান)

——:-(*)-:——

## ২য় দৃশ্য—বজাৰৰ ওচৰৰ আলি।

(গেন্ধেলা ওজা আৰু জলহু ভকতৰ প্ৰবেশ)

জলহু—ইস্, ৰাম ৰাম! ৰাম ৰাম! দেউ, নগৰখন এনে বুলি জনা হ’লে, ইয়াক চাবলৈ মই সত্ৰৰপৰা খোজকে নলৰালোঁহেতেন।

গেন্ধেলা—কিয়? কিনো বেয়া দেখিলাঁ?

জল—আকৌ সুধিছেহে? এইখন দেশত থাকিলেনো আৰু মানুহৰ জাত থাকে নে? আমি হিন্দুস্থানী মানুহ ইয়াত কেনেকৈ

থাকিম ? বজাৰথন মই ভাবিছিলোঁ, বোলোঁ আমাৰ সত্ৰৰ ওচৰত থকা, গোবান্ধমল্ কেয়াঁৰ গোলাথনৰ দৰেই হ'বলা ; সেয়ে চাগৈ ডাঙৰ। পাচে দেখোন, চিৰাই পিঠাই, মাছে শাকে, চাউলে পাতে, গোটেইখন একেকঠি! এইখন বজাৰৰ বস্তু খালে আৰু জাত ক'ত থাকিব, দেউ?

গেন্ধে—এৰা, নগৰমাটি ঠাই নহয়? ইয়াত আমাৰ সত্ৰৰ সমান বাছ-বিচাৰ নাই।

জল—গৰু ম'হ চৰাবলৈ যি ঠাই নায়েই, আন কি ফুৰা হবলৈকো ক'তো এচমকা ঠাই নাই। আমি হলে, ইয়াত বান্ধি থ'লেও থাকিব নোৱাৰোঁ। আমাক উদাসীন "বৈষ্ণৱ" মানুহক, ঘাইকৈ লাগে গৰু ম'হৰ খুঁটি আৰু তাৰ পাচতে হৰিনাম। গৰু ম'হটো থিয় কৰিবলৈ ঠাই নেপালে, আমি ইয়াত কেনেকৈ থাকিম? ✓

গন্ধে—সেইটো চল আৰু হয়াত পোৱা নহয়।

জল—মই হ'লে দেউ সত্ৰ পায়েই, পোনেই ভাগতী বাপুৰ বহালৈ গৈ, পৰাচিত ধেনুচেৰেক হ'ম গৈ। ছয়ত্ৰিশ জাতিৰ মানুহে-সৈতে ঠেলা-ঠেলি নকৰাকৈ ইয়াৰ বাটত এটা খোজ দিবৰ সন্ধি নাই। এটাইবোৰ বাৰবঙ্গলুৱা মানুহ ; গাবোৰ কিবা ভেকেটা-ভেকেট্ গোন্ধায় ; কি নো বিংবিঙ্গায় তাৰো একো ভত ধৰিব নোৱাৰোঁ। আৰু আমাৰ দৰে পোন কথা কোৱা যিখিনি হিন্দুস্থানী মানুহ দেখিছোঁ, সিহঁতৰো আমাৰ দৰে কোজোৱা এটা নাই ; আৰু পিন্ধা-উৰা, ফুৰা-চকাও আমাৰ ফালৰ হিন্দুস্থানী মানুহৰ দৰে নহয়।

গেন্ধে—এৰা, নগৰীয়া মানুহ নহয়, কি নীতি নিয়ম আছে? আৰু বিংবিঙ্গোৰাব যে কথা কৈছা, সেইবোৰ বিদেশী মানুহ; সিহঁতৰ কথা বুজাটো এফেৰি টান তোন। তেও বুলি হলে, মই একো মস্কিল নেপাওঁ দেই। গোঁসাইৰ মুক্তিয়াৰী কামত ফুৰোঁতে ফুৰোঁতে, যত তৰহৰ বঙ্গলুৱা কথা আছে, মই সোপাকে শিকিলোঁ। আৰু ন'হবৈ নো কিয়? মই নেদেখা দেশ নো আৰু কেইখন আছে? যেনেকি বিদেশী মানুহটো হওক, মই বঙ্গলুৱা কথা ক'বলৈ ধৰিলে, সি তবধ লাগে নহয়।

জল—দেউ, এষাৰদিয়েক শুনালে হেতেন।

গেন্ধে—বাৰু; সময় বুজি শুনাম, থাকঁা।

জল—আপুনি অলপ ৰ'ব। সোটো পুখুৰী দেখিছোঁ, পানী টোপাৰ চলটো আছে, মই মুখ-হাত ধুই আহোঁ।

গন্ধে—বাৰু যোৱা, মই এই বাটৰ দাঁতিতে বহি, গীত এটিকে ধৰোঁ।

(বহে; জলহুৰ প্ৰস্থান)

(বৰ গীত)

ৰাগ—ধনশ্ৰী।

"নাৰায়ণ মাগোঁ চৰণ-ৰতি তেৰা।
ই তিনি ভুবন, তুমহি বৰঠাকুৰ,
নাহি জানত মতি মেৰা।
ভুবন চতুৰদশ কায়া ফিৰত মেৰি
বেৰি বেৰি অন্ত নহোই।

তাক তাক তাক ইবেৰি নাৰায়ণ
থোৰে কৰুণা কৰ মোই।
সয়ল পাপী মহ হামো অধিকতম
কমনে তৰিতে মেৰি আশা।
কহয় মাধৱ, হৰি তুহোঁ পতিতগতি
ওহি মেৰি পৰম ভৰসা।"

(মৰাপাট এমুঠি আৰু কুটা মাছ এভাগ লৈ পানীৰামৰ বেগেৰে প্ৰবেশ; মাছবিলাক সিচৰতি হৈ মাটিত পৰি যায়)

পানী—বাৰু চিলনীজনী হয়! হাতৰেপৰা মাছকেইচকল নিয়াহে!
(মাছ বোটলে)

গেন্ধে—কি হ'ল ৰাম?

পানী—এ নেদেখিছা দেও; মাছকেইচকল কিনি লৈ আহিছোঁ; ক'ৰবাৰপৰা চিলনীজনী ওলাই হাততে থপিয়াইছেহি। ৰ বাপেৰে, তোক মাছ খুৱাম।

(পাগুৰিৰ ইটো আগত মাছ বান্ধি পাগুৰিৰ ভিতৰলৈ সুমাই লয়; এনেতে বঙ্গালী বাবুৰ প্ৰবেশ)

বঙ্গালী বাবু—(মনতে) কি মুস্কিলেই পৰেছি! আজ তিন দিন ধৰে ঘুৰে ঘুৰে, একটা চাকৰেৰ যোগাৰ্ করে উঠ্‌তে পাল্লেম না! এখন দেখ্‌ছি, চাকেৰেৰ দায়ে উপবাস্ করে করে পৈত্রিক

প্ৰাণটাই মাৰা যাবে। আচ্ছা, এই বেটাকে একবাৰ জিজ্ঞাস্ কৰে দেখা যাক। (পানীৰামৰ ওচৰ চাপি) ওৰে, ভদ্ৰলোকেৰ বাড়ীতে চাকৰি কৰবি? খেয়ে দেয়ে ভাল মাইনা পাবি।

পানী—(লাখুটি দাঙি) এই একেটা টাঙ্গোনতে চেপেটা কৰিম। আহিছনে আকৌ?

ব-বা—(পাচ হুহঁকি) বাবা ৰে! এ অবাৰ কি!

পানী—ভালে ভালে আঁতৰ হ। সিদিনা এটাই তুঁহ-গুড়ি কিনাৰ ভাও ধৰি যি লাগে কৰিলে। আজি আকৌ এইটো ভাও ধৰি ওই আহিছ? এইবাৰ নোৱাৰ ছলিব; টেঙৰ হ'লোঁ।

(বেগেৰে প্ৰস্থান)

ব-বা—বেটা পাগল না কি? কি হে বাপু, এটা কি পাগল?

গেন্ধে—আমি বাটকৰা মনুষ্য; পাগল হয়, কি পাগল না হয়, কহিতে নেপাৰি, বাবু।

ব-বা—বাঃ! তুমি তো বেশ্ বাঙ্গলা শিখেছ!

গেন্ধে—(হাঁহি হাঁহি) আমি বহুত মলুক ফুৰিয়াছি। আপুনি কোন স্থান হইতে আহিছেন?

ব-বা—সে অনেক দূৰ; হুগলি, নাম শুনেছ হুগলিৰ?

গেন্ধে—শুকুলি! মনে নপৰে! ইষ্টক ডিবুৰু, লগায়ৎ গুৱাহাটী, ইয়াৰ ভিতৰে কোনো "দেচ" আমাৰ বাকী নাই। "শুকুলি" দেখোন "চুনি" না! কিজানি "চাগৰৰ চিপাৰে" হ'ব।

ৰ-বা—বটে, ঠিক্ ঠিক্; ভুলে গেছ বাপু; ত্রেতাযুগে যে শ্রীৰামচন্দ্রেৰ সঙ্গে সাগৰ পাৰ হয়ে দেখে এয়েছ।

( প্রস্থান )

( জললুক টানি লৈ ৰামভজন কনিষ্টবলৰ প্রবেশ )

জল—হে দেউ, নিলে ঐ! নিলে ঐ! মৰিলোঁ ঐ! ধৰক ঐ!

গেন্ধে—কি হ'ল, কি হ'ল? কথাটো কি?

জল—মই যমদূতৰ হাতত পৰিলোঁ ঐ! হে. মোক ৰাখক ঐ

ৰামভজন—আৰে চুপ্ ৰহো; চিলাতাহে কাঁহে? চৰ্কাৰ বাহাদুৰ পাব্লিৰ লাগাকে ৰাস্তা বনায়া তোম "প্রচাৱ" কৰনেকুৱাস্তে? হামাৰা নাম ৰামভজন চিপাহী হোৱে তো, তোম্‌কু "দচ" ৰূপেয়া জৰিমানা কৰাকে তব্ চোৰেগা। চল, ঠানামে চল।

জল—এইটোৱে এতিয়া মোক 'ঠেনাত" দিবগৈ ঐ; আপোনাৰ এটাইৰে শপত মোক "ঠেনাত" নিদিয়াব ঐ, দেউ।

গেন্ধে—তুমি বাৰু নিচিন্তিৰিবাঁচোন। "কনিষ্ঠ" বাবু, এই লোক "চত্রীয়া" ভক্ত হে. আচল পকা "বৈষ্টওঁ" হে, খালি হৰিনাম গাতাহে আৰু বৰালি, মাছ আৰ হৰিণা "পচু" ধৰ্ ধৰ্ কে খাতা হে। ম'হ গৰুৰ খুঁটি পাতিকে, বেপাৰ কৰিকে, দুই চাৰি মহা উলিয়াইকে পুতি পুতি থৈকে, পৰৱস্তি হোতাহে। হাবি-তলমে থাক্‌তাহে, "কুচ্" নাহি জান্‌তাহে, একদম্ বলধিহে। নগৰমে ইতিপূৰ্ব্বে নাহি "আচ্‌তাহে"; ৰাস্তাকা দাতিমে "চক্ পানী চোনেচে" জুগৰ্ লাগ্‌তাহে, এই বাত সমুলি মালুম নেপাওতাহে। পহিলা

কচুৰ, বুলিকে, এৰি দেনেচে, আপ্‌কা ধৰম হে, আৰু হৰিবক্স ৰাজকাৰ্য্যমে জয়যুগুত কৰেগা, এই বাত ধুৰুপ হে।

ৰাম—আৰে চোৰ্‌ দেও তোমাৰা ধৰম ঔৰ হৰিবক্স। হাম্‌লোক পুলিচ্‌কে আদ্‌মি কভি নিমক্‌-হাৰামি নাহি কৰতা হে। চৰ্কাৰ বাহাত্তৰকে নিমক্‌ খায়া, ইস্কু পাকৰ্‌কে লে আয়া; আভি তোম্‌ নিমক্‌ খিলানেচে, তোমাৰা ভি নিমক্‌-হাৰামি কভি নাহি কৰেগা। আৰে চল ঠানামে।

গেন্ধে—নাহি নাহি, কোনো বুধি উলিয়াইকে এৰ্‌নেচে আচ্ছা হে।

ৰাম—আৰে অচ্ছা হে, আচ্ছা হে, কেয়চে হাম চোৰেগা? কাছাৰিমে তো "দচ্‌" ৰুপেয়া জৰিমানা জৰুৰ দেনে হোগা; আচ্ছা কৌন্‌ তক্‌লিফ্‌ কৰেগা. জৰিমানাকে পাঁচঠু ৰূপেয়া নিকাল, হাম হিঁয়াই চোৰ্‌ দেতা।

গেন্ধে—হাও! পাঁচ ৰূপিয়া! কাহাঁ পায়েগা?

ৰাম—দেখ, আভি হাম্‌ ঠানামে লে যানেচে, "দচ্‌" ৰোজ কাছাৰিমে আনা-যানা কৰগে, উকিল ঔৰ মহৰীলোক্‌কু মুঠ্‌-মুঠ্‌ পইচা খিলাওগে; ঔৰ্‌ তৰ্‌ ভি, পিচাৰি "দচ্‌" ৰূপেয়া জৰিমানা হো যায়েগা। হিয়াঁ খালি পাঁচ ৰূপেয়া ফেক, ঔৰ্‌ একৃদম্‌ আপ্‌না ঘৰ্‌মে চলে যাও

গেন্ধে—চিপাহী বাবু, নিচেই দুখীয়া হে. পাঁচ ৰুপিয়া নাহি হে; দুই ৰুপিয়াৰ সৰহ দেনেকা "সম্রথ্‌"-হীন হে।

ৰাম—আচ্ছা, দে দেও দু; জল্‌দী-জল্‌দি।

গেন্ধে—মেৰতলিমে দেখ্‌তা হে। (ৰূপ দিয়ে)

ৰাম—কুচ, বল মৎ কৈকু।

গেন্ধে—এঃ, এনে কথা কয় নে?

ৰাম—আভি চলে যাও।

( প্ৰস্থান )

জন—ৰূপকেইটকা নিলেই নে কি?

গেন্ধে—তাকে লৈহে আকৌ এৰি দিছে!

জন—মই ৰূপকেইটকা নলা হ'লে, ই আজি মোক নিতান্ত "ঠেনা'ত" দিলেগৈহেতেন।

গেন্ধে—হওতে পুঠিত বান্ধিছে, বোলে—"ভকতৰ কৈত আছে ভয়"; তেও একা, মই বঙ্গলুৱা মাত কিএমাৰ জনা বাবেহে, তাৰে লৈতে মিতালিটো পাতি কামকেৰা সাধিব পাৰিলোঁ।

জন—এই বাৰৰপৰা আৰু দেউ, নগৰ চাবলৈ মন নেমেলোঁ। এতিয়া আহক, দিনে পোহৰে ইয়াৰ পৰা আঁতৰি গৈ, এঠাইত গাঁৱত ৰাতিটো পৰি থাকোঁগৈ। ভাল জানিবা মই মুখ-হাত ধুই, তাক হাত-মুখ ধুৱালোঁ।

( দুইৰো প্ৰস্থান )

# ৩য় দৃশ্য—পানীৰামৰ চোতাল

( পানীৰামৰ প্ৰবেশ )

পানীৰাম—ভাল মাৰিলোঁ প্ৰভু, ভাল মাৰিলোঁ মোক! হেৰ জেতুকী-মাক কিনো কৰিছ? ওলাই আহচোন।

মাণিকী—( ভিতৰৰপৰা ) মাছ আনো বুলিছিলোঁ দেখি, মই পাচলি এমুঠি কুটিছোঁ।

পানী—মাছ খুৱালে ভালকৈয়ে আক! হে গোসাঁই, মোক মৰা পেলালোঁ, মোক মৰা পেলালোঁ।

( মাণিকীৰ প্ৰবেশ )

মাণি—কিনো হ'ল? মাছ নেপালোঁ হ'বলা? অ'! হে পাগুৰি কৰিলোঁ কি?

পানী—কিনো সুধিছ মোৰ জেতুকী-মাক ঐ! মৰিলোঁ মৰিলোঁ ঐ, নিগমে মৰিলোঁ! ধনে মাছে, পাগুৰিয়ে সোপাকে একে থাপতে নিলে, মোৰ কুটুম ঐ, একে থাপতে নিলে।

মাণি—ঔ আই! ক'লৈ নিলে হেঁ?

পানী—হে কলৈ নিলে কেনেকৈ ক'ম? কেনিবা উড়াই নিলে।

মাণি—কিনো কয় অ'! কোনে নিলে?

পানী—চিলনীয়ে নিলে, মোৰ জেতুকী-মাক ঐ, চিলনীয়ে নিলে।

মাণি—সঁচানে মিছা? ধেমালি কৰিছাঁ নে কি?

পানী—হেৰ ধেমালি কৰিবলৈ, মোক নো কি বাঘ-তেলে খাইছে? ভাল হ'ল আৰু! তয়ো তৰিলি, ময়ো তৰিলোঁ!

মাণি—কিনো হ'ল ভালকৈ ভাঙ্গি পাতি কোৱাঁচোন।

পানী—কিনো ক'ম, কিনো শুনিবি? আমাৰ বাছক্-বনীয়া কপালেৰে সাধু কথাৰ দৰে অপুৰ্ব্বাত কথাই পালে। মাছকিচকল হাতত লৈ বাটে বাটে আহি আছোঁ, কৰবাৰপৰা চিলনীজনী আহি হাততে থাপ মাৰি পঠিয়ালে। ভাবিলোঁ বোলোঁ হাতত নিলে, এবাৰ নহয় এবাৰ, ছেগ চাই, তাই আকৌ থাপ মাৰি লৈ যাব। সেই গুণে মাছখিনি বুটলি লৈ, তোৰ চেলেংখনৰ ইটো মূৰত বান্ধি পেলাই, পাগুৰিটোৰ ভিতৰলৈ সুমাই ল'লোঁ। পাচে আহি আছোঁ, আহি আছোঁ, কোনোবা টলকত, কেনি নো ওলালহি ততকে ধৰিব নোৱাৰিলোঁ, একে থাপেই, নগৰ আগত পাগুৰি-গছ লৈ উড়া মাৰি, হেৰ জেতুকা মাক ঐ, জানিবা গুলিটোহে গ'ল! চকুৰে দেখোঁমানে পাচে পাচে খেদিলোঁ; পাচে কি হ'ব? চাই থাকোঁতেই নেদেখা হ'লগৈ।

মাণি—ইয়াকেহে কৰিলা গৈ? সিবাৰ জানিবা মই তুঁহ-গুড়িৰ পাচিত থৈছিলোঁ দেখি আজিলৈকে মোৰ গাতে দায় দি আছা; পাচে এই বাৰ একা?

পানী—আজিৰপৰা আৰু তোৰ গাত দায় দিওঁ যদি তয়ে যি লাগে তাকে কৰিবি। মই বঢ়িয়াকৈ বুজিছোঁ, কাৰো গাত দায় নাই; দায় আমাৰ কপালত। আমাৰ কপালেৰে, "হৰিয়ে দিলেও জৰীয়ে নিদিয়ে।"

মাণি—এৰা, কপাল ভাল হ'লে নো এনে হয় নে?

পানী—উস্, কটা। দুবাৰকৈ এথৰাহি এথৰাহি ধন পাওঁ! দুইবাৰ নো এনে হ'ব পায় নে? এনে ধন কপাল লৈ জীয়াই থকাৰ সকাম কি? ডিঙিত কলহ বান্ধি মৰি গলে একা?

মাণি—ইস্! এনে কথা ক'ব নেপায়। গ'ল গ'ল ধন; তুমি ভালে কুশলে থাকাঁ. আমাক নো ধন কেলেই? আমি আগৰো দুখীয়া, এতিয়াও দুখীয়া। দুখীয়া হ'লে মানুহ নহয় নে কি? আহাঁ আহাঁ গধূলি হ'ল, চোতালখনৰপৰা ভিতৰলৈ আহাঁ!
(হাতত ধৰি লৈ যায়)

——:-(*)-:——

## ৪র্থ দৃশ্য—পূর্ণিমাৰ পোহৰত হিমালয়ৰ ওচৰৰ কানন।

(নিজ বেশেৰে ধন কন্যা আৰু ভাগ্য কন্যা)

(নৃত্য গীত)

দুয়ো—সুন্দৰ প্ৰকৃতি সুন্দৰ অতি, সুন্দৰ সুন্দৰ সুন্দৰ আজি।
হৃদয় তন্ত্ৰী সুন্দৰ নাচে, সুন্দৰ সুৰেৰে সুন্দৰ বাজি।
সুন্দৰ গগণৰ সুন্দৰ ইন্দু
বৰ্ষিছে সুন্দৰ অমৃতবিন্দু
সুন্দৰ জোনাকত সুন্দৰ ধৰণী ৰঞ্জিছে, গঞ্জিছে নন্দন লাজি।

সুন্দৰ মলয়া সুন্দৰ ৰজনী
সুন্দৰ যমুনা সুন্দৰ তটিনী;
সুন্দৰ ফুলনি
সুন্দৰ বননি
সুন্দৰ সুন্দৰ সুন্দৰ আজি।

ভা-ক— এই বাৰো দেখিলা কি হ'ল,
ধন কোন গ'ল,
পুনৰপি উড়ি গ'ল দিয়া মাত্ৰে তুমি

ধ-ক— এইবাৰ উড়ি গ'ল সঁচা-সঁচি;
আকাশত চিলনীয়ে
উড়ি আহি উড়ুৱাই নিলে।
থৈছিল অতি সাৱধানে,
নোৱাৰিলে ৰাখিব তথাপি।

ভা-ক— কোৱা তেনে,
কি কৰিবা ইবাৰ উপাই?

ধ-ক— ইবাৰ তোমাৰ পাল।
জবাব দিয়াতো ধন
নফলিব সুফল সমূলি,
নাই মোৰ কৰিব লগীয়া আৰু;
তুমি কি কৰিব পাৰা
তাকে বাৰু চাওঁ।

ভা-ক— বাক তেনে মোৰ পাল এইবাৰ।
আজি ধৰি
সুপ্ৰসন্ন হলোঁ সেই দুখীয়াৰ প্ৰতি ;
দেখিবাঁ এতিয়া,
মাটি ছুলে সোণ হ'ব
দিনে দিনে সম্পদ বাঢ়িব,
ধন সোণ
যেনি পায় তেনি আহি উপচি পৰিব।
এই মতি এই গতি নেথাকে ইদৰে
সকলো উন্নত হ'ব,
অলপ দিনতে
আচৰিত সকনি দেখিবাঁ।
আহাঁ তেনে, যাওঁ দুয়ো আকৌ এবাৰ।

ধ-ক— ব'লাঁ তেনে, যাওঁ।

(নৃত্য গীত)

দুয়ো— (আমি) ৰিবি ৰিবি মলয়াত উড়ি ভাল পাওঁ
উড়ি উড়ি ঘূৰি ঘূৰি নাচি নাচি যাওঁ।
কুলিৰ অমিয়া মাত. জোনৰ পোহৰ
মলয়াৰ ছাটি আৰু সুবাস ফুলৰ
লগে লগে নিওঁ আমি যেনি যেনি যাওঁ।

জোনাক জোনাক আমি জোনাক বিলাওঁ
জোনৰ জোনাক জোনাকত পোহৰাওঁ
জোনাক বিলাই ৰুণু জুনু জুনু যাওঁ।

( দুইবো প্ৰস্থান )

---

## ৫ম দৃশ্য—পানীৰামৰ ঘৰ।

( পানীৰাম, সদাগৰ বেশেৰে ধনকন্যা আৰু ভাগ্যকন্যা )

পানী—আচলতে, কপালত সুখ নেথাকিলে, আপোনালোকে মোৰ কেনেকৈ সুখ কৰি দিব? এই দুবাৰ দোমোনা ধন দিলেহি; মই তাৰ দহ টকা ৰূপো ৰাখি খাব নোৱাৰিলোঁ। বাৰু ধন নো ক'ৰবাত চিলনীয়ে থ'পিয়াই নিয়ে নে? এইটো কথাকে চাওকচোন। এনেখন মোৰ কপাল! পাচে এতিয়া আপোনালোক আহিল, ভাল হ'ল; মই বাটলৈ চাইহে আছিলোঁ। মোক এফেৰি উপকাৰ কৰক।

ভা-ক—কি লাগে কোৱাঁ; পৰাখিনি পক্ষত আমি তোমাৰ উপকাৰ-কেহে কৰিম।

পানী—ধন আৰু মোক নেলাগে; ধনে মোক নুশুজে। এই দুশ যে গ'ল, তাৰ বাবেও বেজাৰ কৰিবলৈ নাহে নাহে এৰি দিছোঁ। গ'ল গ'ল, ভালেই হ'ল; আগৰো নাই, এতিয়াও নাই। পাচে এতিয়া আপোনালোকৰ ধাৰৰ পৰা নিস্তাৰ পাওঁ কেনেকৈ?

ধাৰৰ বোজা লৈ মৰিবলৈ হ'লে মোৰ কি গতি হ'ব! মানুহহাল আৰু এই টোকোৰা পঞ্জাটো, ইয়াৰ বাহিৰে মোৰ একো নাই। এতেকতে, আপোনালোকে আমাক দুইকো আপোনালোকৰ লগতে লৈ ব'লক। আপোনালোক সদাগৰ মানুহক বহুত বনুৱা লাগে; গাত এডোখৰ ফটা কানি, পেটত এমুঠি ভাত, মুঠেই ইয়াকে দিব, এই দুশ ৰূপ নমৰে মানে, আমি বন্দী বৈ থাকিম।

ধ-ক—সেই বাবে নো কেলৈ চিন্তা কৰিছা? আমি সিবাৰ কৈ গৈছোঁ নহয়, বোলোঁ। দুশ টকা ৰূপ লোক্‌চান হ'লে আমাৰ গা নেপায়গৈ?

পানী—নহয়, সেই বুলি মোৰ দিবলগীয়া বাবটো ক'লৈ যাব?

ভা-ক—বাৰু তুমি আগেয়ে যেনেকৈ খাই ছিলাঁ, সেই দৰেই খাই থাকাঁ। যেতিয়া ধন-বিৎ গোটাব পাৰাঁ, আমাক দিবাঁ।

পানী—সেই দৰে হ'লে মোৰ ধাৰ শুজিবৰ কি শক্তি আছে? নহয় মোক লৈ যাওক, ঋণ-সাগৰৰপৰা নিস্তাৰ কৰক।

ভা-ক—বাৰু কিছু দিন বাট চোৱাঁচোন; সদায় একে কালেই যাব নে? কি জানি গোসাঁয়ে চকু মেলি চায়েই। যদি কোনো দিনে একো নহয়, তেনেহলে পাচত জানো কিবা আমাৰ লগত যাব নোৱাৰিবাঁ?

পানী—মই ফই বাটি, পেটত খাই, আকৌ ধন সাঁচি ধাৰ শুজিম, সেইটো পাইছোঁ। বাৰু আপোনালোকে নিনিয়ে, য'তে ত'তে বন্দী সোমায়েই কিবা এটা দিহা কৰিম। আকৌ কেতিয়া লগ পাম, তাৰে এটা ঠিকনা দি যাওক।

ধ-ক—আমি এই ফালে বেপাৰলৈ আহিয়েই থাকোঁ। আজৰি পালেই, মাজে সময়ে আহি তোমাৰ ভু-ভা লৈ থাকিম। ধাৰৰ বাবে কোনো চিন্তা নাই।

ভা-ক—তুমি আমাৰ ধাৰলৈ কিয় ইমান ভয় খাইছা? তাৰ বাবে ক'তো বন্দী সোমাব নেলাগে। আমি এইবাৰ আহোঁতে বাৰু এটা দিহা কৰিমহি। এতিয়া আৰু আমি যাওঁহক। হোৱা, তোমাক এটি বস্তু দি যাওঁ; এই সীহ্‌ডুখৰি দিলোঁ।

পানী—কি কৰিব লাগে ইয়াৰে?

ভা-ক—থৈ দিয়াগৈ; কপাল ভাল হ'লে, ইয়াৰেপৰা সোণৰ গছ গজিব পাৰে।

পানী—ওঁ, পাৰে তো; মোৰহে যেনে কপাল, কিয় নোৱাৰে? মোনা মোনে ধনহে পাখি লাগি উড়ি যায়!

ভা-ক—বাটত পালোঁ সীহ্‌ডোখৰ, পেলাই দিমনে আৰু? থৈ দিয়া এঠাইত পেলাই; সি নো কি ভাত মাছ খুজিব?

ধ-ক—থৈ দিয়া, কেতিয়াবা কিব কামত লাগিব পাৰে। আমি আহিলোঁ।

পানী—ভাল, সেৱাহে।

(ধনকন্যা আৰু ভাগ্যকন্যাৰ প্ৰস্থান)

দেহি ঐ, ডাঙৰৰ ডাঙৰ মন! অতখিনি ধন হেৰাল দেখিছেই, তেও একেষাৰ টান কথা নাই। আমাৰ পাহ্‌বৰ দোকানীৰ দৰে ন চহকীয়ে পোৱা হ'লে, দুশহে নেলাগে, দুটা পইচাৰ লগতে অত বেলিয়ে মোৰ গাৰ মঙহকে একৰাই নিলেহেতেন।

# তৃতীয় অঙ্ক।

## ১ ম দৃশ্য— পানীৰামৰ ঘৰ।

( আগতকৈ অলপ ভাল সাজেৰে পানীৰাম আৰু মাণিকী )

পানী —মই গৰুও গৰু আওগৰু আছিলোঁ। এতিয়াহে মোৰ চকু দুটা মুকলি হৈছে। অত দিন চকু মুদি ফুৰিছিলোঁ।

মাণি —বাৰু কিহৰপৰা নো কিটো হ'ল, মোক ভাঙ্গি পাতি কোৱাঁচোন। এতিয়া যে দুটা পইচাৰ মুখ দেখিছোঁ, অত দিন নো ইবান দুখত কিয় গ'ল?

পানী —সেই দিনা মনত পৰেনে, সেই যে শকত ফই ডাল বেচি আধলি এটা পাইছিলোঁ?

মাণি—পৰে তো।

পানী —আনকাল যি কেইটা পইচা পাওঁ, তাৰে পোনতে এডাল ফইৰ জোখাই মৰাপাট কিনো; তাৰ পাচত যি থাকে, তাৰে খাবলৈ বয়-বস্তু কিনি লৈ আহোঁ। আন কালৰ হোৱা হ'লে, সেই দিনাও চাবি অনা ভাঙ্গি খাই, চাবি অনাৰহে মৰাপাট আনিলোঁ হেতেন। সেই দিনা হৰিয়ে কিবা এটা বুধি দিলে, লঘোনেই থাকিলোঁ, তেও তাৰ এটা পইচাও ভাঙ্গি খাবলৈ ন'হল; আঠো অনাৰে তেনেই মৰা-পাটকে কিনি আনিলোঁ।

মাণি —এৰা হয় হয়, সেই দিনা ৰাতিও লঘোন নহয় ?

পানী —সেই লঘোনৰ বাবেইহে ইমানেই হৈছে ; পাচে, তাৰে ডুডাল ফই হ'ল। পাচ দিনা বজাৰত বেচি এটকা ৰূপ পালোঁ। সেই টকাৰ সেই দিনা চাৰি অনা ভাঙ্গি খাই, বাৰ অনাৰ মৰাপাট আনিলোঁ। এই দৰে অলপ অলপকৈ বঢ়াই গৈ, পাচত দিনে আঠ দহ ডালকৈ ফই বাটিবলৈ ধৰিলোঁ। তাৰ পাচত, তোকো তাকে কৰিবলৈ শিকাই ল'লোঁ। এতিয়া দুইৰো মাজত দিনে কুৰি ডালকৈ ফই বাটিছোঁহক। ঈশ্বৰৰো একেৰি দয়া হ'ল, ফইৰ দামটোও দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে। তেনেতে, আমাৰ লগতে ফই বাটিবলৈ এই মানুহ কেইটাও ল'লোঁ। তেতিয়াৰেপৰা দিনেপতি এশ ছকুৰিকৈ ফই বেচিছোঁ। তাকেহে ভাবিছোঁ বোলোঁ, এইদৰে এদিন লঘোন কৰি চাৰি অনা পইচা ৰাহি কৰি ল'বলৈ নো অত দিনে মোৰ আকলে নধৰিছিল কিয় ?

মাণি—সেইটো এতিয়া কি কৰিবা ? সেই দৰে হোৱা হ'লে দেখোন ইমান দুখেই নহয়।

পানী —পাচে, এতিয়া হাতত অলপ ৰূপ গোট খাইছে। এতিয়া সৰহীয়াকৈ কিছু মৰা-পাট কিনো ; আৰু ফই বাটিবলৈকো আৰু গোটাদিয়েক মানুহ ধৰোঁ। আপুনি, এইদৰে লাহে লাহে মানুহ বঢ়াই যাব পাৰিলে, হৰিয়ে কৰিলে, কাৰবাৰো বাঢ়ি গৈ থাকিব।

মাণি—ভাল দেখিছোঁ৷ যদি কৰা। মই নো এই বোৰৰ কি জানো?

পানী। মই হ'লে ভাল দেখিছোঁ; বাৰু আহ, দুয়ো নিৰলে বহি, ভালকৈ কথাটো আৰু এবাৰ গমি পিটি চাওঁগৈহঁক।

(দুইবো প্ৰস্থান)

---

## ২য় দৃশ্য—ৰূপেশ্বৰৰ চোতাল।

(সুমথিৰাৰ প্ৰবেশ)

সুম্—ইয়াকে ক'লে মোৰ গাত জগৰ লাগিব। দিনৰে দিনটো এই গোটা মানুহটোৱে বাৰু কি কৰিছে! মুঠেই খাব শুব আৰু কানি-পাণ পুৰিব। উজানৰ মাছ মাৰিবলৈ লোকে মখাই মখাই গৈছে। জালখন লৈ মম্বো চোন ওলাওঁ; খেও এটা মাৰি দুটা মাছ-পুঠী ধৰি আনো। সিমানটো আকৌ কিয় কৰিব!

(ৰূপেশ্বৰৰ প্ৰবেশ)

ৰূপে—হেৰ, মই খুছি আছে যাম, খুছি নাই নেযাম; তই মোৰ ওপৰত হুকুম কৰিবলৈ কি বৰ "মেহেৰাণী" জনী

ওলাইছহি ? মোক তই "সামাইন্" মানুহটো যেন পাইছ, নহয় ? নেদেখিলিনে ?--সিদিনা বাপুৰাম মৌজাদাৰেও এই পিনে যাওঁতেহি, মোক "মাইন" কৰি, তুমি-তামাকৈহে মাতি গৈছে। মই তোক জাল বাই খুৱাব লাগে !

সুম্—জানিছোঁ ; পাচে ঘৰত বহি টিকিৰা পুৰি থাকিলেই, বৰ লোক জনৰ খাবলৈ ওলায় ক'ৰ ?

ৰূপে —মই নোখোৱাকৈ আছোঁ, নেই ? মাছে শাকে, কানি-পাণে চাহ-পানীয়ে দিনৌ ৰাজভোগ ভুঞ্জিছোঁ, তই দেখা নাই ?

সুম্ — কাৰবাৰ যতত !—মই বেটী জনীয়ে গোটাই পিতাই দিমহি, বৰ লোক জনে বহি গৰাহটো জুৰিব !

ৰূপে —তোৰ কৰিবৰ বাব, তই কৰিবিয়েই। তিৰীৰ তিৰী কাম ন'কৰিলে তোক কোনে শুদাই এৰিব ? তই হ'বলা ভাবিছ ?— তই ন'হলে মই কাতি হৈ পৰিম। তই গুচি যাচোন, তেতিয়াও মই কেনে দৰে খাওঁ, চাবি।

সুম্—মোৰ যাবলৈ ঠাই নোহোৱা হোৱা নাই। আইহঁতৰ ঘৰলৈ গ'লে, ককাইটিয়ে গাত টোপ নপৰাকৈ আলাসৰ লাড়ু থোৱাদি থ'ব।

ৰূপে—অ' সেই ছাল-ছিগাটোৰে ? সেই ভিকহুটোৱে তোক চাঙ্গত তুলি থ'ব ?

সুম্—আমি ছাল-ছিগা ভিকহু মানুহ ভিকহু ভাৱেই থাকিব পাওঁ। বৰ মানুহবোৰে তেনে ভিকহুৰ ছোৱালী আনিব নেপাইছিল।

ৰূপে—হেৰ, এতিয়াও তই গুচি যা। তই গ'লে, কাইলৈকে মোক ভৰিত ধৰি কেইজনী দিয়েহি, দেখিবি।

সুম্—একো কথা নাই। বাৰু কাইলৈকে অমুকীয়ে কি ধুন দেখুৱাওঁ, দেখুৱাম; পুৱাতে উঠি আইৰ ঘৰলৈ গুচি নেযাওঁ যদি, মোৰ নামে কুকুৰ পুহিবা।

ৰূপে—(অলপ ভাবি মনতে) ইস্, কথাষাৰ বেয়া সুৰে গ'ল একা। তাই সচাঁকৈয়ে মোক এৰি গ'লে, মোৰেহে কলপ্-জলপ্ লাগিব। আকৌ নো এজনী কোনে দিব! ইমানতে এফেৰি কোমল নেকাটিলে নহয়। (শুনাকৈ) হেৰেই, খং খালিনে কি, নেই? তোৰ আৰু খং কৰোঁতেই খংখন উঠে। মই জানো কিবা জানলৈ নেযাওঁ বুলিছোঁ?

সুম—যাওঁ বুলিলেনো মোৰে সৈতে অতখন চুপতি কিহৰ?

ৰূপে—জালখনত গুৰা নাই, তই জানো কিবা নেজান? গুৰা ন'হলে জালৰ খেও মাৰিব পাৰিনে? বোলোঁ তায়ো গাঁৱৰ পৰা আহক; দুয়ো গোট খাই কথাটোৰ "পোৰামাছ" কৰি এটা দিহা কৰিম। পাচে তয়ো আহি ৰৌৰৌৱাই উঠিলিহি, সেই দেখি ময়ো ত্ৰএষাৰ খং কৰিলোঁ। তই আকৌ তাতে লাগিছ!

সুম—লোকৰ পেটৰ কথামখা মই আকৌ কেনেকৈ জানিম? বাৰু পাচে গুৰাৰ কি হ'ব এতিয়া?

ৰূপে—তই যা; কাৰ হয় ঘৰৰ পৰা মোক লগতাই গুৰা গোটা-দিয়েক আনি দে। যদি নেপাৱ, ক'ৰ হয় সীহ এডোখৰকে আনিবি; মই ততালিকে গুৰা কৰি ল'ম। কানিৰ ৰাগী এৰাই, মোৰ গাত গোঁসাই নোহোৱা হৈছে। সোৱা নখিও

আহিছে; টিকিৰা কেইটা কৰি লৈছোঁ; আমি তাকে বেগেতে পুৰি লওঁহক।

সুম্—বাৰু, মই যাওঁ; তুমি টিকিৰা-টুকুৰা খাই বেগতে ওলোৱাঁ।

( প্ৰস্থান )

( ভদীয়াৰ প্ৰবেশ )

ভদী—কি কৰিছাঁহে সখি? মাছ মাৰিবলৈ যাওঁহক, ৰ'লা।

ৰূপে—এ, কিনো ক'বাঁ দেও। সেই বাবেই এতিয়া সিজনীয়ে সৈতে এখন লগাহে; কোনো মতেহে সাৰিছোঁ।

ভদী—কিয় কিয়? কিনো হৈছিল

ৰূপে—আহাঁ বাৰু ভিতৰলৈ আহাঁ। পাণ কৰি থৈ আহিছোঁ; দুয়ো খাওঁগৈ। কি হৈছিল,? তাতে ক'ম শুনিবাঁ।

( দুইৰো প্ৰস্থান )

---

# ৩য় দৃশ্য—পানীৰামৰ চোতাল।

( সুমথিৰাৰ প্ৰবেশ )

সুম্—অ' কেতুকী-মাক আছাঁ নে?

মাণিকী—( ভিতৰৰপৰা ) আছোঁ; কোন সেইটি? সুমথিৰা নে?

সুম্—এৰা দেও, এইটে ওলাই মাতাঁচোন।

( মাণিকীৰ প্ৰবেশ )

মাণি –কি হ'ল আই ? বাতিখন আহিলি দেখোন ?

সুম—বস্তু এখন বিচাৰি আহিলোঁ দেও ; আজি মাছৰ উজান পৰিছে। খটিৱাওতে খটিৱাওতে কোনোমতে আমাৰ সিটো মাছলৈ যাওঁ বুলিছে। তালকৈ পাচে জালখনত গুৰা নাই। সীহ্ এফেৰা পালেও গুৰা গোটাদিয়েক কৰি ল'ব পাৰে ; তাকে ক'তো নেপালোঁ। তোমালোকৰ ফালে কেনেবাকৈ ক'ৰবাত আছে যদি সীহ্ এফেৰা গোনাই নিবলৈ বুলি সোমালোঁ।

মাণি—এ, ক'ৰ হ'ৰ মোৰ আই ? আয়ৈ দেহি! কেলৈ আহিলি বাতিখন মিছাতে ?

পানীৰাম—( ভিতৰৰপৰা ) হেৰ কেলৈ, সিদিনাৰ সেই সীহ্ ডোখৰ আছিল নহয় ?

মাণি—অ' হয়! ৰ'বিচোন বাক ৰ'বি ; আছিল হয় এডোখৰ।

( প্ৰস্থান )

সুম—এবা দেও, আছে যদি, দিয়াঁ অকণমান চাই চিতি ; ধৰিব পাৰে যদি, এফেৰা মাছকে খুৱাম।

( মাণিকীৰ পুনঃ প্ৰবেশ )

মাণি—পালোঁ পালোঁ ; হোঁ আই ; ( সীহ্ দিয়ে ) জুৰিব নে ইয়াৰে ?

সুম - অ' জুৰিব জুৰিব ; বাঢ়িয়াকৈ জুৰিব। উস্, হক তেও, বৰ কথা হ'ল দেও ; বৰ গুণ লৈছোঁ। মই কাইলৈ যেনে

তেনেকৈ ভাল মাছ এসাজ খুৱামহিয়েই খুৱামহি। মিছা কৈছোঁ যদি, বাটত দেখিলেও গালি শপিবাঁ; বাঢ়নীৰে খুচিবাঁ।

মাণি—এ আই, এনে কথা নো কিয় কৰ আই? কিনো বৰ ধন-সোণবোৰ দিলোঁ! আছে বস্তুখন, তই ওচৰ-চুবুৰীয়া মানুহ; লগা হৈছে, লৈ যা; আমি নো তাৰে কি কৰিম? মৰমত দিয় যদি, কেতিয়াবা সৰহীয়াকৈ মাছ পালে, এনেয়ে এচকল দিবি, নেপালে নিদিবি। মই কিবা মাছৰ সলনি সীহ্ দিছোঁ নে, তানৈকে তই কুকুৰা কাটি শপত খাব লাগিছে?

সুম্—এৰা, হওঁতে ওচৰচুবুৰীয়া মানুহ যেতিয়া, পালে এচকল এনেয়ে দিব লাগে। বাৰু এতিয়া আহিলোঁ, থাকিবাঁহে আৰু; সিটো চাগৈ বৈ আছে।

মাণি—বাৰু যাগৈ আই।

(দুইবো দুফালে প্ৰস্থান)

---

## ৪ৰ্থ দৃশ্য—ৰূপেশ্বৰৰ চোতাল।

(ৰূপেশ্বৰ, ভদীয়া।)

ৰূপে—উস্ দেও, এতিয়াহে গাত তৎ আহিছে। ধোঁৱা কেহোঁপা নিগিলোঁ মানে, মই তধামধা দেখি গ'লোঁ। এতিয়াহে মনটো

মুকলি লাগিছে, গাটোও ৰঙ্গিৎ ৰঙ্গিৎ লাগি পৰিছে। এনেহে লাগিছে যেন এপাক নাচিমেই।

ভদা—ন'কবা আৰু। কা'নৰ মান বস্তু ক'ত আছে! সেইহে জনা বুজা লোক বুলিলেই ইয়াৰ ভকত হয়। কানি হৈছে দেৱতাসকলে খোৱা স্বৰ্গৰ বস্তু। ন'হলে ইয়াৰ এনে গুণ হ'ব কিয়?

ৰূপে—এনেটো বস্তুকোনো বাৰু মানুহে নিন্দা কৰিব পায়নে?

ভদী—যি কানিৰ নিন্দা কৰে, সেই আটাইবোৰ "মুৰুখ্" মানুহ। সিহঁতে ইয়াৰ কি মোল বুজে! খাই চালেহে জানিব ইনো কেনে বস্তু। তেনেবোৰ অবুজন প্ৰাণীৰ কথা আমাক কিয় লাগিছে?

( সুমথিৰাৰ প্ৰবেশ )

সুম্—গুৰা নেপালোঁ; হোৰা এই ডোখৰ সীহকে পাই আনিছোঁ।

ৰূপে—( সীহ্ লৈ চাই ) এ বঢ়িয়া হ'ব। এৰা, মোৰ সুমথিৰা নে কোন! এনেবোৰ কথাৰ মুৰতেহে তেও মই তোক কেচা সোণ যেন দেখোঁ। যা এতিয়া, বেগতে গলাই পেলাগৈ। ( সীহ ভোতাই দি ) গুৰা কেইটা কৰি লও মাথোন, চাবি আজি মাছকে গোবাগোব্ কৰিম। ( গীতত ধৰে )

**( সুমথিৰাৰ প্ৰস্থান। ৰূপেশ্বৰে গীত গাই নাচে লগতে ভদীয়াইও একো আবাৰ গাই একোটা পাক দিয়ে )**

( গীত )

আজি বৌ বাহু আৰি ভেউ ভাবেৰে আনিম।
বিহাই বিহাই বৰ বৰালি ধৰিম।
চিতল খৰিয়া
মিৰিকা ঘৰিয়া
মখা-মখে ধৰি আনি দ'মাই ঢালিম।
মাছ দেখি ৰং পাব
তাই বেটী মোহ যাব
পাৰেনে এৰিব মোক দেখিম দেখিম;
মজা কৰি বহি বহি টিকিৰা পুৰিম।

---

## ৫ম দৃশ্য—পানীৰামৰ বাহিৰ ঘৰ।

( পানীৰাম, পাহবৰ )

পাহ—তোমাৰ কাৰবাৰ দিনেপতি বাঢ়ি গৈছে। লাভো বহুত হৈছে চাগৈ। আমাৰ ফ'লেহে দোকান-পোহাৰ তেনেই মুঠেই তললৈ গৈছে।

পানী—কিয় ?

পাহ—আজিকালি দোকান-পো'হাৰ দি খাব নোৱাৰা হ'ল। মানুহ-বোৰ যেনেহে টিমক হ'ল, সিহঁতৰ চকুত আঙ্গুলি দিব

নোৱাৰি। আগৰ দৰে উচিত দামতকৈ তুমহা বঢ়াই ল'বৰ, বা কোনোটো বস্তু জোখতে অলপ কমাই দিবৰ দিন উকলিল। কিবা এটা কিনিব খুজিলে, বেয়া বস্তু দিওঁ বুলি, পিটিকি পিটিকি চাব। এনেকুৱাত দোকান-পোহাৰ কেনেকৈ চলে? পাচে মই আহিলোঁ কিয়—কাইলৈ মোক ভালেখিনি ফই লাগে; তুমি কিমান দিব পাৰিবা?

পানী—তোমাক লাগে বা কিমান।

পাহ—চাৰি মোণ মান দিব পাৰিবা নে?

পানী—পৰা হ'ব; লাগিলে তাতকৈ সৰহো ওলাব।

পাহ—বাৰু তেন্তে, কাইলৈ মোক দোমোণ ফই লাগিব; দিহা কৰি থ'বা। মই এতিয়া আহিলোঁ।

পানী—অলপ ৰ'বা; সিদিনা তুমি ফইৰ দাম দিওঁতে, ভুলত ৰূপ এটকা বঢ়াই দি গ'লা। তাকে মই আনি দিওঁ, এতিয়া লৈ যোৱা।

পাহ—হয়নে কি? যোৱা যোৱা তেন্তে, লৈ আহাঁগৈ।

(পানীৰামৰ প্ৰস্থান)

(মনতে) এনেটো আকল পুৰি খোৱা গোট গৰুৱেনো কেনেকৈ লাভ কৰি খাইছে! লোকৰ ধন পাইনো কোনোবাই উপযাচি ওভোতাই দিয়ে! হ'ব নোৱাৰিলে লোকৰ ভুল, তুমি হাতত পোৱা ধন কিয় এৰি দিবা? কণা বিধতাৰ নো কি বিচাৰ একা! এনেটো অলগৰ্দ্ধ মানুহকে ফই বেচাই

লাভ খুৱাইছে; ইকালে এনে দৰে ধনৰ মোল বুজা মই হেন হিচাবী মানুহটোকো মনৰ জোখাৰে লাভ কৰিব নিদিয়ে।

( পানীৰামৰ প্ৰবেশ )

পানী—হোৱঁা, এই টকা তোমাৰ ৰূপ।

পাহ—দিয়ঁা দিয়ঁা দেও; ( ৰূপ লৈ ) তুমি দেখিছে ওভোতাই দিলঁা। আজিকালিৰ অধৰমী মানুহবোৰে পোৱা হ'লে, কেতিয়াও নিদিয়ে।

পানী—কিয় নিদিম ওভোতাই? তুমি ভুলত ৰূপ টকা দি গ'লঁা বুলিয়েই, মই তাক অহকতো ল'ব পাওঁনে?

পাহ—বাৰু মই যাওঁ; পাচে ফইখিনি ভাল চাই দিবঁা দেই। পচা মৰাপাটৰ ফইবোৰ নিদিবঁা।

পানী—মই পচা মৰাপাটৰ ফই নেবাটোঁও, নেবেচোঁও। সঁচি ধন লম, ভাল বস্তু দিম। লোকক ভাল বুলি বেয়া বস্তু দি ঠগিম কিয়?

পাহ—তেও বুলি কথাষাৰ কৈ থৈছোঁ। এতিয়া মই যাওঁহে।

পানী—বাৰু বলঁা; ময়ো জগনাথৰ মাৰি থৈ আহোঁগৈ।

( দুইবো প্ৰস্থান )

## ষষ্ঠ দৃশ্য—নৈ।

(ভাগ্যকন্যা আৰু তেওঁৰ সখীসকল)

(নৃত্য গীত)

সকলোৰে—(আমি) ৰুণুক্ জুনুক্ ৰুণুক জুনুক, নেপুৰ বজাই যাওঁ।
পানীৰ তলত, মাছৰ পেটত হীৰা ওপজাওঁ।
পোহৰ সিচি ভাল পাওঁ
পোহৰ সিচি সিচি যাওঁ
আন্ধাৰ ৰাতি, সাগৰ-তলি, পোহৰ ঢালি পোহৰাওঁ।
টুপুৰ, টুপুৰ, নিয়ৰ পেলাই
শিলৰ পাহাৰ পেলাওঁ গলাই
শুকান ডালক ৰমক্ জমক্ ফুলেৰে ফুলাওঁ।

(প্ৰস্থান)

(ৰূপেশ্বৰ, ভদীয়া আৰু আন আন জালোৱাহঁতৰ প্ৰবেশ)

(গীত)

সকলোৱে— ধৰ উজানৰ মাছ হেপাহ গুচাই।
আগ বাঢ়ি আহি থাক জাল বাই বাই।

নাৰ বাট গেলি যাব
কুঢ়ি চেনি কোনে খাব
নধৰিবি সক মাছ কোনো কাম নাই।
বৰ বৰ মাছবোৰে
চাই যাবি কেনি শাৰে
দেখিলে মাৰিবি খেও খবৰ্‌দাৰী হৈ।
খেৰে পতি বুঢ়া বৌ
চিতল বৰালি ভেউ
ধৰিম বাপেকে আজি "বেহাদুৰী" কৈ।

# চতুৰ্থ অঙ্ক।

## ১ম দৃশ্য—মাণিকলাল জহৰীৰ ঘৰ।

(মাণিকলাল আৰু মালতী)

মাণিক—আচল হীৰা! এনে হীৰা আজিকালি পাবলৈ নাই। ক'ত পালা তুমি এইডোখৰ?

মালতী—পানীৰামৰ ঘৈনীয়েকৰ হাতত আছিল; বস্তুটো কি চিনিব নোৱাৰি অনাদৰ কৰি পেলাই থৈছিল। মোৰ দেখিয়েই মনে গাজিলে; সেই দেখি আপোনাক দেখুৱাবলৈ খুজি আনিছোঁ।

মাণিক—"ফটা কঁথাতো সোণ থাকে" বুলি যে কয়, ই তেনে কথা। আজি ২১ বছৰ হীৰা জহৰতৰ খেল কৰিছোঁ, এনে হীৰা ক'তো চকুত পৰা নাই। সেইটো মানুহৰ ঘৰত যে এনেটো ৰত্ন আছিল, তাক কোনে জানিছিল!

মাল—তেনেহ'লে সিহঁতৰ বৰ কপাল! ইয়াৰ বাৰু দাম নো কিমান হ'ব?

মাণিক—ইয়াক এই দৰেই বেচিলেও, নাই নাই বুলিও, তিনি লাখ টকা পোৱা যাব। ভালৈকে কাটি কুটি অলঙ্কাৰত লগালে, ইয়াৰ দাম আৰু সৰহ হ'ব। সুন্দৰপুৰৰ ৰজাই, তেওঁৰ পাগুৰিত লগাবলৈ, আজি বহু দিনৰেপৰা, এনে এডোখৰ হীৰাৰ কথা মোক কৈ আছে। তেওঁৰ গুৰিত উলিয়াবগৈহে লাগে, এতিয়াই টকালি মাৰি কিনি ল'ব। তাৰ উপৰিও, বিচাৰি দিয়াৰ বাবে, মোকো কিছু পুৰস্কাৰ দিব। তাৰ পাচত, কাটি কুটি, সজাই পৰাই, পাগুৰিত লগাব পৰা কৰি দিয়া বাবেও কিছু পাম। টকাদিয়েক ৰূপ দি, এনে গেৰেঁা-গেথেঁা ভাৱেৰে কিনি থোঁৱা।

মাল—নহয়, নহয়, সেইটো কথা ভাল নহয়, বুজিছে নে? পাৰে যদি, ৰজাক বেচাই দি, বি দাম পায়, সিহঁতক আটুটে আটুটে দিয়াই দিয়ক। ওচৰচুবুৰীয়া দুখীয়া মানুহ দেহি; অত কাল দুখতে গৈছে, এতিয়া তেও সুখ হ'ব।

মাণিক—পাচে, আমাৰ লাভ কি ?

মাল—ৰজাই যি বটা দিয়ে, আৰু হীৰাখন গঢ় লগাই পাগুৰিত লগোৱা বাবে যি পোৱা হয়, সেয়ে আমাৰ বহুত। আমাক নো আৰু কি লাগিছে? ঈশ্বৰে সকলো দিছে। ইয়াৰ যি দাম পোৱা হয়, তাৰ আমাক ভাগ নেলাগে; দুখীয়াৰ উপকাৰ হওক দেহি।

মাণিক—তুমি বাস্তবিকতে গৃহলক্ষ্মী। মোৰ যে অত অৰ্থ সম্পত্তি হৈছে, তোমাৰ এই অমূল্য চৰিত্ৰই সেই সকলোৰে মূল। তোমাৰ যেন এনে আশয় ঈশ্বৰে সদায় ৰাখে।

মাল—সকলোবিলাক আপোনাৰ কপালেৰে হৈছে। আৰু মোৰ স্বভাৱ ভাল হলেও, আপুনিয়েই ভাল কৰিছে, বেয়া হলেও আপুনিয়েই বেয়া কৰিছে; যেনেকৈ গঢ়ি লৈছে, তেনে হৈছে।

মাণিক—সেইটো হ'লেও, সকলো ধাতু সমান নহয়। সোণ ৰূপক যিমান সহজে মনৰ জোখাৰে গঢ় লগাব পাৰি, লো বা তীখাক নোৱাৰি।

মাল—পাচে, এতিয়া হীৰাৰ কি কৰিব, কওক।

মাণিক—ইয়াৰ যি দাম পোৱা হয়, মই তাৰ এটা পইচাও চান্ নেকাঢ়োঁ। তুমি ক'বা. যদি বেচে, তেন্তে পানীৰামো গুলাওক; ভয়ো বজাৰ ওচৰলৈ গৈ, যিমান পাবোঁ সৰহ দামত, মই হীৰাখন বেচাই দিম। মই আৰু দোকানলৈ যাওঁ, বেলিহে হ'ল।

মাল—(হীৰা লৈ) বাৰু তেনে, মই এতিয়াই সিহঁতক বাতৰিটো দিওঁ।

(দুইমো প্ৰস্থান)

## ২য় দৃশ্য—পানীৰামৰ ঘৰ।

( পানীৰাম )

পানী—( মনতে ) ঈশ্বৰৰ অনুগ্ৰহত কাৰবাৰ ডাঙৰ হৈ পৰিল। চাৰিও ফালৰ দৰ দূৰ ঠাইৰপৰা ফইৰ "ফৰ্মাচ্" আহিবলৈ ধৰিলে; দিনে আঢৈ কুৰি তিনি কুৰি মানুহে বাটিও ফই যোগাব নোৱাৰা হলগৈ; মহাদিয়েক ধনো গোট খালে। সেই দেখি সাতে পাঁচে. ভাতীৰপৰা সেই ফই বটা কলটো আনিলো। পোনতে কিন্তু বৰ ভয় লাগিছিল। বোলো ইমান দুখেৰে অৰ্জা ৰূপ কেইটকা ভাঙিবলৈ ধৰিছোঁ, গ'লে তেনেই যাব। তেও মৰ সাহ দি, আগ বাঢ়িলোঁ আৰু। এতিয়া পাচে দেখিছোঁ, ঈশ্বৰে যি কৰালে. ভালকে কৰালে। কলটো আনিবৰেপৰা, সকলো কাম সুন্দৰকৈ চলিছে; কাৰবাৰো ভালেখিনি বহল হ'ল; আৰু লাভো আগতকৈ তিনি গুণ বাঢ়িল।

( উধাতু খাই মাণিকীৰ প্ৰবেশ )

মাণি—এই পিনে আহাঁচোন! এই পিনে আহাঁ।

পানী—হেৰ, কি হ'ল, কি হ'ল?

মাণি—হে আহাঁচোন! আহাঁ! আহাঁ।

পানী—হেৰ কি হৈছে কচোন! মোৰ থৰক্-বৰক্ লাগিছে!

মাণি—বৰ কথা হৈছে, বৰ ডাঙৰ কথা; মোৰ মুৰ ঘূৰি গৈছে; তুমি বেগাই আহাঁ।

পানী—হে কি নো হ'ল! মই কি কৰোঁ এতিয়া! হে গোঁসাই, কি কৰিলা ঐ! আমি নো ক'ত মৰোঁগৈ ঐ!

মাণি—নহয়, নহয়; নেলাগে মৰিব; তেনে কথা নহয়।

পানী—হেৰ তেনে নকৱ কিয়, কেনে নো কথা?

মাণি—হে কেনেকৈ নো কওঁ ঐ! মোৰ দেখোন মাতেই নোলোৱা হ'ল।

পানী—অতবোৰ বকিবলৈ মাত ওলাইছে কেনেকৈ? ক বেগেতে, কি হৈছে।

মাণি—সেই দিনা যে মাছ খাইছিলোঁহক—

পানী—কি মাছ খাইছিলোঁ?

মাণি—সেই সীহ্‌ডোখৰ নি যে সুমথিৰাই বৰ বৰালি মাছটো দিছিলহি—

পানী—খালোঁহক, পাচে কি হ'ল? তোৰ কিবা পেট মুৰ বেয়া কৰিছেনে কি?

মাণি—এ নহয়, নহয়; সেই যে মাছটোৰ পেটত—

পানী—মাছটোৰ পেটত গিলাচ্‌নে বোলোন্ এডোখৰ ওলাইছিল; সেই বাবে মাছটো খাব নোপোৱা হ'লনে?

মাণি—নহয় হে; কথাটো শুনি লোৰাঁচোন; মোক নো ক'বলৈ তত্ নিদিয়া কিয়? বৰ কথা! বৰ কথা।

পানী—এতিয়া মইহে নুশুনা হ'লো! অত বেলি নো কৈ নেপেলাৱ কিয়?

মাণি—কথাটোৱে খুন্দা মাৰি ধৰি বুকুখন ধান বনাদি বানিছে' বেগতে ক'ব নোৱাৰোঁ; লাহে লাহে কওঁ, শুনা—সেইডোখৰ তুমি

বেলোল্ বুলি ক'লোঁ, মই তামোলৰ বটাটোতে পেলাই থ'লোঁ। তোমাৰ কথাতে তেনেই মৰিব লগীয়া! কিনো হ'লহেঁতেন ঐ! তেনেই মৰিলো হেতেন ঐ!

পানী—হেৰ, তই মোক বলিয়া কৰিবি এতিয়া। কথাটো কি? হ'ল কি?

মাণি—মই দলিয়াই নেপেলাই, বটাটোতে ভাল থৈ দিছিলোঁ ঐ! দেহি ঐ!

পানী—বাৰু মই পেলাই দিবলৈ ক'লোঁ, নেপেলাই থ'লি থ'লি বটাতে; সেই বাবে নো এতিয়া কি জগৰ লাগিল?

মাণি—জগৰ লগা নাই। কালি মাণিকলাল জহৰীৰ ঘৈনীয়েক আহিছিল; তেওঁ, সেইডোখৰ দেখি, গিৰীয়েকক দেখুৱাবলৈ খুজি লৈ গ'ল। আজি এতিয়া তেওঁ আহিছে; কি কৈছে শুনাহিচোন।

পানী—হেৰ কি কৈছে? কি কৈছে?

মাণি—কৈছে বোলে সেইডোখৰ হেনো আচল হীৰা। কোনোবা ৰজাক দিলে হেনো এতিয়াই বহুত ধন দিব। তুমি ভাল পেলাই দিবলৈ কৈছিলা ঐ।

পানী—হেৰ কিনো কৱ! সঁচা নে?

মাণি—সঁচা মিছা তুমি নিজ কাণে শুনাহি; তেওঁ ভিতৰতে আছে।

পানী—ব'লচোন বাৰু ব'ল, ব'ল। তাকে অত বেলি নকৱ কিয়?

(দুইবো প্ৰস্থান)

## ৩য় দৃশ্য—আলি।

( একালৰ পৰা মোহনচন্দ্ৰ আৰু আন ফালৰ পৰা গোপীনাথৰ প্ৰৱেশ )

গোপী—কোন সেইটি, মোহন বাপা নে?

মোহ—Oh! good morning! ভালে আছে?

গোপী—হয় ভাল; পাচে তোমাক দেখোন ভালে দিন দেখা নাই?

মোহ—এৰা, মই এই দিনে Down লৈ গৈ, অলপ travel কৰি আহিলোঁ।

গোপী—পাচে, আজিকালি কি কৰিছা?

মোহ—মই lately Borkatky private High Schoolত, তিনি মাহ, thirty rupees salary ত officiate কৰিছিলোঁ। পাচে, সেইটো temporary vacancy আছিল। যিজন permanent incumbent, তেওঁ leave ত গৈছিল; leave expire হ'লত আকৌ join কৰিলেহি।

গোপী—পাচে, তুমি কৰিছা কি?

মোহ—At present, মই without employment হৈয়েই আছোঁ। Earning টো stop হোৱাত, circumstance টো কিছু bad হৈছে; আৰু consequently, livelihood টোত অলপ difficulty feel কৰিছোঁ।

গোপী—Earning টো নো কিয় stop হৈছে? তুমি শিক্ষিত মানুহ; ডেকা ল'ৰা; গাত বল আছে; মনত "স্ফূৰ্ত্তি" আছে; আৰু

নো কি লাগিছে? কি হয় এটা নকৰঁা কিয়? এতিয়াই নকৰিলে, আৰু নো কৰিবঁা কেতিয়া?

মোহ—যথেষ্ট try কৰিছোঁ। Wanted occupation, as a school master, private tutor or office clerk, by a highly respectable Assamese twice plucked F. A, very strong in English—এই বুলি News paper ত, আজি full four months, advertisement দি থৈছোঁ। কোনো sideৰ পৰা কোনো offer অহা নেদেখিলোঁ। সেই দেখি সিদিনা মাটি এডোখৰ mortgage দি, fifty rupees loan কৰি, দুবুৰীলৈকে travel কৰি আহিলোঁগৈ; তেও ক'তো serviceৰ arrangement কৰিব নোৱাৰিলোঁ। এতিয়া আকৌ another piece of land mortgage দি, forty rupees loan লৈছোঁ। এই বাৰ up to মাৰ্‌ঘেৰিটা যাম। ইয়াতকৈ নো আৰু মানুহে কি কৰিব পাৰে, কওকচোন। In my opinion, I have not left a single stone unturned.

গোপী—নেপাৰঁা, নেপাৰঁা চাকৰি। চাকৰিৰ বাহিৰে আনো কৰিবলৈ আন একো নাই? দেশখনত যতবোৰ মানুহে লিখা-পঢ়া শিকিছে, এটাইবোৰে চাকৰি কৰিয়েই খাব নে?

মোহ—তাকে ন'কৰি আৰু কি কৰিব? এই backward দেশত একো possible নহয়; কোনো field নাই।

গোপী—Field কৰি ল'ব জানিলেই হয়। এই চোৱঁা তুমি সোণাৰিৰ ল'ৰা; সোণাৰিৰ ব্যৱসায় অতি ভাল ব্যৱসায়—

মোহ—Quite so! quite so!

গোপী—আমাৰ সোণাৰি আৰু লোকৰ সোণাৰিৰ কামৰ কিমান প্ৰভেদ তাক চকু থকা মানুহ মাত্ৰেই দেখিছে। তোমৰ দৰে চকু-গজা শিক্ষিত মানুহ এই ব্যৱসায়ত লগা হ'লে, আমাৰ দেশৰো সোণাৰিৰ বনৰ উন্নতি ন'হৈ পাৰিলেহেতেন নে? তেতিয়া হ'লে, তুমিও এই দৰে ত্ৰিশ টকীয়া কাম বিচাৰি ফুৰিব লাগিল-হেতেন জানো? বৰং ত্ৰিশ টকীয়া মানুহে তোমাৰ তলত থাকিলে-হেতেন! সোণাৰিৰ বোলা, কমাৰৰ বোলা, তাঁতীৰ বোলা, কঁহাৰৰ বোলা, আমাৰ দেশৰ সকলো ব্যৱসায়, আমাৰ আওকাণত দিনে দিনে তললৈ গৈছে। আমাৰ ল'ৰাবিলাকে লিখা-পঢ়া শিকি, এইবিলাক কামত লাগি গলে, নিজৰ আৰু দেশৰ দুইৰো উপকাৰ কৰা হয়। তাকে নকৰি, এটাইবোৰে এইদৰে কাম বিচাৰি ফুৰা বাবে, নিজৰো এই জনমত সুখ হোৱা নাই আৰু সকলো ব্যৱসায় লোপ হৈ, দেশখনো ন'থৈ দুখীয়া হৈ গৈছে।

মোহ—Business is certainly the best of all; কৰিব পাৰিলে খুব ভাল, অৰ্থাৎ very laudable. তাত কোনো সংশয়, অৰ্থাৎ doubt নাই; not the smallest shadow of a doubt, I dare say.

গোপী—কৰিব নো নোৱাৰি কিয়?

মোহ—কৰিবলৈ যে ধন, অৰ্থাৎ capital লাগে। Big capital ন'হলে, business start কৰা mere foolishness.

গোপী—তেনে কথা কেৱল অকৰ্ম্মণ্য মানুহেহে কয়। সৰহলৈ যাব নেলাগে; চকুৰ আগতে আমাৰ পানীৰামলৈকে চোৱা। সি কেই লাখ টকা মূলধন লৈ কাৰবাৰ কৰিছিল? সকলোৱে

জনা শুনা কথা, এদিন লম্বোনে থাকি, চাৰি অনা পইচা ৰাহি কৰি লৈ, তাৰেই মূৰ পুতি কাৰবাৰত লাগি গ'ল; এতিয়া সেয়া কলেৰে কই বাটিছে। অলপ দিনৰ ভিতৰতে কেনে ডাঙৰ কাৰবাৰ কৰি পেলালে! এনে দেখিলেহে চকু জুৰ হয়, মনত ৰং লাগে।

মোহ—Oh! you are awfully mistaken! পানীৰামৰ কথা এৰি দিয়ক। সি without education, without respectability এটা ordinary সামান্য মানুহ, সেই দেখি পোনতে সিমান সৰুকৈ ধৰিব পাৰিছিল। Big capitalৰ আৰু big styleৰ business ন'হলে, আমাৰ দৰে educated and respecctable মানুহক হাত দিবলৈ আপুনি reasonably expect কৰিব নোৱাৰে; it is simply ridiculous—nay, quite horrible! কিন্তু আপোনাক মই blame নকৰোঁ। I do not wonder if an elderly man like yourself cannot comprehend what I mean.

গোপী। বোপা, পানীৰামৰ পৰা দেশৰ সিমান উপকাৰ হৈছে, তুমি এজন শিক্ষিত ডেকাৰ পৰা, তাৰ এশ ভাগৰ এভাগো আশা কৰিব নোৱাৰি। শিক্ষাৰ উদ্দেশ্য হৈছে, মন উন্নত আৰু উদাৰ কৰা, বুদ্ধি প্ৰখৰ কৰা, চকু গজোৱা আৰু মানুহটো সকলো দিশে উপযুক্ত কৰি তোলা। যাৰ এইকেইটা কথা হৈছে, বৰ বৰ কিতাপ নপঢ়িলেও, তাক শিক্ষিত বুলিব লাগিব। পানীৰামৰ এইকেইটা কথা এনেয়ে হ'ল, তোমাৰ কিন্তু কলেজত পঢ়িও ন'হল। আচলতে, তুমি অকল ইংৰাজী কথা গোটাদিয়েক

আওৱাই থৈছোঁ। তাক শিক্ষা নোবোলে। তোমাৰ প্ৰকৃত শিক্ষা সমূলি ন'হল।

মোহ—আপুনি যাব পাৰে। Good morning!

(বেগেৰে প্ৰস্থান)

গোপী—এই এটা অতি অকৰ্ম্মণ্য মানুহ। এনেকুৱা শিক্ষিত মানুহৰ পৰা দেশৰ উপকাৰ ন'হৈ, অশেষ অপকাৰ হৈছে। মোৰ কিবা হাত থকা হ'লে, ইহঁতৰ দৰে যত মানুহ আছে, এটাইবোৰক ধৰি আনি, হোলা মাটিত হ'লীয়া মহৰ হাল বাবলৈ লগাই দিলোঁহেতেন।

(প্ৰস্থান)

---

## ৪ৰ্থ দৃশ্য—ৰজাৰ বিলাসমন্দিৰ

(সুন্দৰপুৰৰ ৰজা, ৰাণী আৰু নৰ্ত্তকীসকল)

(নৃত্য গীত)

নৰ্ত্তকীসকল। কোনে কয় প্ৰেমিকজনে প্ৰেমৰ মূৰে প্ৰেম বিচাৰে।
প্ৰেমিক অতি উদাৰমতি, ধাৰ সাধিবৰ ধাৰ নেধাৰে।
প্ৰেমৰ শকত সোণ-শিকলি
পিন্ধিলে কোন হয় মুকলি
নিজেই পিন্ধে নিজেই মজে লোকক বন্ধাৰ হাউচ্ নকৰে।

( দুৱৰীৰ প্ৰবেশ )

দুৱৰী—মহাৰাজ, মাণিকলাল জহৰীয়ে বোলে এই সময়ত আহিবলৈ আদেশ পাইছিল। তেওঁ দুৱাৰত ৰৈ থাকি, মহাৰাজলৈ নিবেদন জনাই পঠাইছে।

ৰজা—অ', বাৰু আহক ; লৈ আহগৈ।

( দুৱৰীৰ প্ৰস্থান )

ৰাণী—কেনোবা জহৰী এটাই ভাল হীৰা এখন পাইছোঁ বুলি খবৰ দিছিল নহয় ?

ৰজা—সেয়ে এই মাণিকলাল জহৰী ; অতি সৎস্বভাৱৰ মানুহ। আজি হীৰাখন লৈ আহিবলৈ মই চিঠি দিছিলোঁ।

( মাণিকলাল আৰু পানীৰামে সৈতে দুৱৰীৰ পুনঃ প্ৰবেশ )

মাণিক—মহাৰাজ আৰু মহাৰাণীৰ প্ৰতি আমি দুইজনে সম্মানেৰে প্ৰণাম জনাইছোঁ।

ৰজা—জহৰী, আহাঁ আহাঁ। তোমাৰ লগত এইটি কোন ? এৰেঁই সেই হীৰাৰ গৰাকী হ'ব পাৰে ?

মাণিক—হয় মহাৰাজ ; হীৰা এইখন।

ৰজা—(হীৰা হাতত লৈ চাই আৰু ৰাণীক দেখুৱাই ) এইখন বাস্তবিকতে অতি উৎকৃষ্ট হীৰা ; মই যেনে বিচাৰিছিলোঁ, ঠিক তেনে পাইছোঁ।

মাণিক—ভাল বেয়াৰ বিষয়ে আৰু মহাৰাজৰ ওচৰত মই কি মাতিম ? মই অকল ইয়াকে জনাব পাৰোঁ যে, ইয়াতকৈ ভাল হীৰা মই পোৱা নাই।

ৰজা—পাচে, তোমাৰ মনেৰে ইয়াৰ দাম কিমান হ'ব ?

মাণিক—মহাৰাজ, ইয়াৰ দাম কোনো মতেই তিনি লাখ টকাৰ কম হ'ব নোৱাৰে। কিন্তু তিনি লাখ টকা দিলেও, আজিকালি এনে হীৰা বিচাৰি পাবলৈ নাই। তাকে চাই, মহাৰাজে হীৰাৰ গৰাকীক যেন অলপ মৰম কৰে, এয়ে প্ৰাৰ্থনা।

ৰজা—( পানীৰামক ) তুমি কি কোৱা ?

পানী—মহাৰাজ, মই ডুবীয়া মানুহ। এইখন যে হীৰা, মই তাকে অত দিনে নেজানিছিলোঁ। ইয়াৰ নো কিমান দাম মই তাৰ একো ভু নেপাওঁ। এতেকে মোক সোধা মিছা। মহাৰাজে আৰু এখেতে যিহকে উচিত দাম বোলে, মই তাতে মান্তি হ'ম।

ৰজা—জহৰী, তুমি কোৱাতকৈ ইয়াৰ দাম আৰু কিছু সৰহহে হ'ব। আৰু তুমি যে এই হীৰাখন মোক বিচাৰি আনি দিলা, সেই বাবে তুমিও অলপ পুৰস্কাৰ পাব লাগে।

মাণিক—মহাৰাজৰ পৰা মই অনেক অনুগ্ৰহ পাইছোঁ; মই এনেয়ে বিচাৰি দিব লাগে।

ৰজা—মই সন্তোষেৰে দিয়া পুৰস্কাৰ তুমি কিয় ন'লবা? দুৱৰী, এওঁলোক দুইকো ৰৰ-ভঁৰালীৰ ওচৰলৈ লৈ যা। এই হীৰাৰ গৰাকীক তিনি লাখ পাঁচ হাজাৰ আৰু এই জহৰীক এহেজাৰ টকা দিবলৈ ক'বৈ।

দুৱৰী—মহাৰাজৰ যি আজ্ঞা।

মাণিক—মহাৰাজ, মই একো পাব নেলাগে। এই হীৰা মই ক'তো বিচাৰি ফুৰাগৈ নাই। এতেকে মোক দিবলৈ কোৱা টকাও হীৰাৰ গৰাকীকে দিবলৈহে আদেশ হ'ব লাগে।

পানী—নহয় মহাৰাজ, তেওঁহে পাব লাগে। তেওঁ ক'লতহে মই এইখন হীৰা বুলিয়েই জানিছোঁ।

ৰজা—হীৰা বেচোঁতা আৰু কিনোতা দুইৰো একে মত হ'ল যেতিয়া, ইয়াত আৰু তোমাৰ একো মাত নাই। তুমি এই হীৰাখন লৈ যোৱাঁ। (হীৰা দি) ইয়াক ভালকৈ অঁতাই-পিতাই ধুন লগাই কাটি কুটি, মোৰ পাগুৰিত লগাব পৰাকৈ, যিমান পাৰাঁ সোনকালে লৈ আহিবাঁ। তাৰ বেচৰ বাবে দুশ টকা পাবাঁ।

মাণিক—মহাৰাজৰ আদেশ শিৰোধাৰ্য্য কৰি ললোঁ।

(মাণিকলাল, পানীৰাম আৰু দুৱৰীৰ প্ৰস্থান)

ৰাণী—নৰ্ত্তকীসকল আৰু এটি প্ৰেম-সঙ্গীত শুনোৱাঁহক।

(নৃত্য-গীত)

নৰ্ত্তকীসকল—প্ৰেমিকৰ এই জগতখনেই তেনেই প্ৰেমময়।
প্ৰেমৰ চিনেই ওলায় মুঠেই চায় যেনিয়েই।
নৈ কুলু কুলু কৈ
প্ৰেমৰ গুণেই যায় বৈ
প্ৰেমৰ গুণেই গছত মেৰাই লতাই বগাই যায়।
জোনাই বেলি প্ৰেমত ওলায়
প্ৰেমেই গছৰ ফুলক ফুলায়
মধুৰ মলয় প্ৰেমৰ বাবেই ফুলক কঁপাই যায়।

# পঞ্চম অঙ্ক।

## ১ম দৃশ্য—পানীৰামৰ নতুন ঘৰৰ অন্তঃপুৰ।

(পানীৰাম আৰু মাণিকী)

মাণি—শুনিছা নে জেতুকী-বাপেক ?

পানী—কি কৈছা মোৰ জেতুকী-মাক ?

মাণি—মোৰ মনটো বৰ উগুল্-থুগুল্ লাগিছে হেঁ।

পানী—কিয় ?

মাণি—এৰা আমাৰ বহুত ধন হ'ল দেও ; অতবোৰ ধন আমি কি কৰিম ?

পানী—কেলৈ ? আমি সুখেৰে খাম ব'ম ; আৰু তাৰ পাচত যি থাকে, ভাল কামত খৰচ কৰিম।

মাণি—নহয়, আগেয়ে দুখীয়াক দিম ; তাৰ পাচত যি থাকে আমি ভাঙি খাম। আমি যেতিয়া দুখীয়া আছিলোঁ, তেতিয়া কিমান কষ্ট পাইছিলোঁ ! দুখীয়া মানুহ এটাইবোৰৰ তেও সেয়েহে গতি। সেই দেখি, দুখীয়া মনুহক পাৰোঁ মানে দিব লাগে।

পানী—বাৰু তাকে কৰিবাঁ। তেতিয়া হলেও, আমি ভাঙি খাবলৈ যিখিনি থাকিব, তাকে আমি খাই ঢুকাব নোৱাৰোঁ।

মাণি—তেনে হ'লে, জেতুকী-বাপেক, আমি এতিয়া কি পিন্ধিম ?

পানী—পাট মেজাঙ্কৰি
গাজ বালিচৰী
যিহকে মন যায়, তাকে পিন্ধিবাঁ।

মাণি—বাক, আমি এতিয়া খাম কি?

পানী—কিয়? ডাইল ৰুটি মাখন সৰ'

পোলাও কালিয়া ছানাৰ বৰ;

কোমল পাঠা তেলাল "খাছি"

ভাল ভাল বস্তু বাছি বাছি।

মাণি—আৰু পিঠা-গুড়ি পাচি পাচি।

পানী—পিঠা-গুড়ি কেলৈ খাব লাগিছে? পিঠা-গুড়ি একো ভাল বস্তু নহয়; দুখীয়া মানুহেহে খায়।

মাণি—তেনেহ'লে নো আমি কি জলপান খাম?

পানী— গৰম হালোৱা পায়স পূৰি

খীৰৰ লাড়ু বুৰি বুৰি।

মাণি—মোৰ হ'লে দেও, দুটা কথাত বৰ অহুকাল হৈছে আৰু।

পানী—কি কি দুটা?

মাণি—এটা, সদায় এই ভাল কাপোৰবোৰ পিন্ধি থকা। এইবোৰ পিন্ধিবলৈ ল'বৰ পৰা, য'তে ত'তে বহিবও নোৱাৰোঁ, আগৰ দৰে যেই সেই বনখনতো পোনেই ধৰিব নোৱাৰোঁ; ক'ৰবাত কেনেবাকৈ কাপোৰ ফাটিব, কাপোৰত কিবা চেকা লাগিব, এই ভয়টোৱেই মনবপৰা নুগুচা হ'ল। গাটোত মুঠেই সদায় কিবা বান্ধ এটা যেন লাগি থাকে। আৰু ইটো এই নতুন ঘৰটোত থকাটো। মই এই ইটাৰ দুই মহলীয়া ঘৰটো ভাল পোৱা নাই। গোটেইখন চাৰিওফালে বহল, মুকলি মুকলি, কেনেবা কেনেবা পাওঁ। লোকৰ ঘৰত আলহী থকা যেন লাগিছে। মোক আগৰ দৰে, ভগা বেৰ ভগা চাল থকা, সকৈ খেৰৰ ঘৰ অকণমান সজাই দিয়াঁ দেও হে।

পানী—এই দুটা নো কি কথা! পোনতে অসহজ দেখি দিনদিয়েক অলপ বেয়া লাগিব পাৰে; পাচত সহজ হ'লেই ভাল লাগিব।

মাণি—অ' জেতুকী-বাপেক, মোক ভাল ভাল গহনা এযোপা কৰাই নিদিলাঁ?

পানী—কেলৈ, তোমাৰ নো কি গহনা ন'ইকীয়া হৈছে? সকলো গহনা পূৰাকৈ কৰাই দিছোঁ নহয়।

মাণি—নহয় হেঁ, মোক আৰু লাগে, সৰহকৈ লাগে।

পানী—সৰহকৈ লৈ নো কি কৰিবাঁ? গাত ধৰে মানেহে পিন্ধিবা।

মাণি—নহয়, মই নিপিন্ধো হেঁ; পেৰাত সুমাই থ'ম; মাজে মাজে উলিয়াই উলিয়াই লিৰিকি বিদাৰি চাই থাকিম; মনটো ভাল লাগি যাব।

পানী—বাৰু তাকে কৰিবলৈকে যদি লাগে, কি মন যায় ক'বাঁ কৰাই দিম।

( বগাইৰ প্ৰবেশ )

বগাই—দেউতা, বাহিৰত কোনোবা ভাল মানুহ দুজন আহিছে।

পানী—কোন অহিছে চিনি নেপালি নে?

বগাই—এৰা মই আগেয়ে দেখা নাই। কোনোবা বোলে সদাগৰ; আপোনাৰে সৈতে হেনো চিনাকি।

পানী—বাৰু যা; ভালকৈ বহিবলৈ দেগৈ; মই গৈছোঁ।

( বগাইৰ প্ৰস্থান )

মাণি—কি জানি সেই তেওঁলোক দুগৰাকীয়েই আহিছে?

পানী—তেওঁলোকেই হ'ব পায়। হয় যদি ভালেই হ'ল; মই বিচাৰি হে ফুৰিছিলোঁ।

( দুইৰো প্ৰস্থান )

## ২য় দৃশ্য—পানীৰামৰ নতুন ঘৰৰ এটা কক্ষ।

( বিহুৱাই অকলৈ হাঁহি ফুৰে ; বগাইৰ প্ৰবেশ )

বগাই—কি হল অ' বিহুৱা ? তোৰ গাত কি বিহু লাগিল ? অকলৈ অকলৈ হাঁহি ফুৰিছ দেখোন ?

বিহুৱা—এৰা বোপাই, মোৰ মনটোত বৰ ৰং লাগিছে হেৰ !

বগাই—কিয় ইমানটোনো ৰং কেনেকৈ লাগিল ?

বিহুৱা—মোৰ বৰ সুখ হৈছে হেৰ !

বগাই—সুখ কিবা তোৰে অকলৈ হৈছে নে ? এইঘৰ মানুহত নো কাৰ সুখ হোৱা নাই ? সেই বুলি আৰু অকলৈ এই দৰে হাঁহিব লাগে নে ?

বিহু—মই বোপাই ৰং লাগিলে নেহাঁহি নোৱাৰোঁ। মনৰ ৰংটো, তইঁতৰ দৰে সাঁফৰ মাৰি ঢাকি থোৱাৰ কি "পয়জন" আছে ? চাচোন, এনে ঘৰ মানুহ আৰু আমি ক'ত পাম ?

বগা—সেইটো হ'লে বোপাই ঠিক কৈছ। ওলাই যাবৰ দিনা কান্দি হে যাব লাগিব।

বিহু—মই হ'লে বাপেকে ওলাই নেযাৱেঁই। ঘিঁউ, চেনি, গাখীৰ, গুড়, সোপাই আমাৰ হাতত ; যেতিয়াই যিহকে মন যায়, তাকে খাইছোঁ, গিৰীহত ঘৈনীৰ তাত একো হকা-বধা নাই ; আমিয়েই দিছোঁ যদিহে খাবলৈ পাইছে। ইফালে চাচোন, এইবোৰ ছমহীয়া সাত মহীয়া চুৰিয়া, বঢ়িয়া বঢ়িয়া "কোট্" চোলা, যিহকে খুজিছোঁ, তাকে দিছে ! এনে সুখ বোপাইৰ আজো ককাকেও কৰিবলৈ পোৱা নাই। মই বোপাই, লাগে দৰ্ম্মহাকে নলওঁ, এনেয়ে থাকিম।

বগা—গৃহস্থ ঘৈণী দুই গৰাকী বৰ ভাল মানুহ, বোপাই। চা চোন আমিয়েই যতবোৰ হে জগৰ কৰিছোঁ, অইন এঘৰত হোৱা হ'লে শিলেৰে খুন্দিলেহেঁতেন। তেও জানো, কোনোবা দিনা টোকৰ এটা মাৰিছে? কেতিয়াবা বৰ টান হ'লে মুখেৰে একেষাৰ ডাবি দিয়ে। কেনে মৰমেৰে মানুহ বাব জানে!

বিহু—ঘৈণী গৰাকী "সাইশাত্" লখিমী আৰু গিৰীহত গৰাকী জানিবা তেওঁৰে গিৰীয়েক। মানুহে অলপতে দুখ পায় দুখ পায় যেন দেখে। এটাইলৈকে পেটে পেটে বৰ মৰম।

বগা—সেই দেখিহে আকৌ আমাৰো মৰম লাগিছে; মৰম দিলেই মৰম পায়। এনে মানুহৰ লগতহে থাকিবৰ মন যায়।

বিহু—আৰু কি এটা কথা, ক'ব নোৱাৰোঁ, দুই হাতে বনকে কৰি ফুৰোঁ, তেও দুখ যেন নেলাগে।

বগা—এৰা, এৰা "ৰহইচতে" বন কৰিবৰ মন যায়; বন কৰ মানে ৰংহে লাগে।

বিহু—বৰ ৰং লাগে বোপাই, বৰ ৰং লাগে! সেই দেখি হে মই তেও নেহাঁহি নোৱাৰোঁ। ইয়াত আমাৰ বৰ সুখ হেৰ, বৰ সুখ। মই ইয়াৰপৰা কেতিয়াও নোলাওঁ।

বগা—আমি জানো ওলাম? খেদি নিদিলে, নিজে কেতিয়াও ওলাই নেযাওঁ। যাওঁ বুলিবৰ সতেই নেযায়। এতিয়া কথা হৈয়েই থাক নে? আলহীও আহিছে; বহুত বন আছে; আহ, আহ।

বিহু—ব'ল ব'ল; ৰ, মই অলপমান হাঁহি লওঁ।

( দুইবো হাহি হাঁহি প্ৰস্থান )

## ৩য় দৃশ্য—পানীৰামৰ নতুন ঘৰৰ বৈঠকখানা।

( পানীৰাম, সদাগৰ বেশেৰে ধনকন্যা আৰু ভাগ্যকন্যা )

পানী—লঘোনে থাকি ৰাহি কৰা সেই সিকিটোৰ পৰা কেনেকৈ ইমান ডাঙৰ কইৰ কাৰবাৰ হৈ উঠিছেগৈ, সেই সোপা কথা আপোনালোকক শুনালোঁ। ✓ইফালে, আপোনালোকে দি যোৱা সেই সীহ ডোখৰৰ পৰাই কেনেকৈ কি ধন পালোঁ, তাকো শুনিলে। সেই ধন চাৰিওফালে নানা তৰহৰ কাৰবাৰত মেলি দিলোঁ। যিহতে ধৰিছোঁ, সেয়ে হৈ গৈছে; এতিয়া এই দেশৰ সকলোখিনি ডাঙৰ ডাঙৰ কাৰবাৰ মোৰ হাতত হ'ল। কেউ ফালৰ পৰা, হোৱা-হোৰে নৈ বোৱাদি ধন বৈ আহিছে। এতিয়া আৰু, আপোনালোকৰ ভৰিৰ ধূলাৰে, মোৰ কোনো নাটনি নাই।

ভা ক—হওক, শুনি বৰ সন্তোষ পালোঁহক।

( বিহুৱাৰ প্ৰবেশ )

বিহুৱা—দেউতা! দেউতা! দেউতা!

পানী—হেৰ, কি হ'ল?

বিহু—দেউতা, যি হে হৈছে! মোৰ গোটেই গাত কঁপনি উঠিছে! এই মোনা কি চাওকচোন!

পানী—এই মোনা দেখোন ধন! ক'ত পালি?

বিহু—দেউতা, তুঁহ গুড়িত! তুঁহ গুড়িত!

পানী—হেৰ কি কৰ? কি তুঁহ গুড়িত পালি? ভালকৈ কচোন।

বিহু—চহিচে ক'লে বোলে আজি ঘোৰাৰ দানাই নোজোৰে। মই চালোঁ বোলোঁ কাইলৈ একেবাৰেই সৰহীয়াকৈ দানা কিনি

আনিম ; আজিলৈ তুহ গুড়ি মুঠিদিয়েককে মিহলাই দিওঁ।

এই বুলি, ওচৰৰ এই বেঙ্গলী ঘৰৰ পৰা তুঁহ গুড়ি এপাচি কিনি আনিলোঁ। ঘৰত আহি দেখোঁহি, তাৰ ভিতৰতে এইটো!

ধনকন্যা—এই সোনা সেই আমি দি যোৱা ধন দেখোন! মই সোনাটোতে চিন পাইছোঁ।

পানী—সি নো ঘূৰি পৰি আকৌ মোৰ হাত পালেহি নে? হ'বও পাৰে; চাওঁ বাৰু লেখি চাচোন কিমান আছে।

বিহু—দেউতা, নেলাগে লেখিব; মই লেখিছিলোঁ; এটকা কম এশ গোটা ৰূপ আছে।

পানী—অ' তেনেহলে আৰু শোধেই নাই। ইস্! ঈশ্বৰৰ কেনে বন একা! বঙ্গালীটোক সুধিছিলি নে, সি নো এই তুঁহ গুড়ি ক'ত পাইছিল?

বিহু—মই তাক ধনৰ কথা কোৱা নাই। তুঁহ গুড়ি ক'ত পাইছিল সুধিছিলোঁ। সি হেনো কালি ক'ৰবাৰ অইন এটা বেঙ্গুলীৰ পৰা কিনি লৈছিল; তাক চিনি নেপায়।

পানী—বাৰু ভাল হ'ল যা; তোৰ কঁপনি উঠিব নেলাগে। এয়া আমাৰে ধন; আগেয়ে হেৰাই আছিল, এতিয়া ঘৰৰ বস্তু ঘৰলৈ আহিল।

বিহু—হয়নে দেউতা? ইস্! বৰ ভাল কথা হ'ল!

(প্ৰস্থান)

পানী—অন্যায়ৰ ধন ন'হলে, ঈশ্বৰে হেৰাব নিদিয়ে; এইদৰে কোনো মতে বলাই ঘটাই উলিয়াই দিয়েহি।

ধ-ক—সেইটো ঠিক কথা।

পানী—পাচে, আজি আপোনালোকক পাই, মোৰ মনত বৰ বং

লাগিছে। আপোনালোকে মোৰ দুখ দেখি পুতৌ কৰিছিল; এতিয়া সুখৰ দিনত যে ধূলা দিলেহি, সেই বাবে মোৰ বৰ কপাল বুলি মানিছোঁ। আপোনালোকৰ গুণ মই জনমে জনমে পাহৰিব নোৱাৰোঁ।

( বিষ্ণুৰা আৰু বগাইৰ প্ৰবেশ )

বিষু—দেউতা, আজি হেৰোৱা ধনৰ কিবা উজান উঠিছে। এয়া বগায়েও এটকা কম এশ ৰূপ পাই আনিছে। আয়ে কৈছে বোলে এয়াও হেনো আমাৰে ধন; ধন বন্ধা কাপোৰখন দেখিয়েই তেখেতে চিনিলে।

পানী—হয় নে কি, বগাই? কি ধন পালি?

বগাই—দেউতা, এয়া; এই চেলেং কাপোৰখনৰ আগতে এটকা কম এশ ৰূপ বান্ধি থোৱা আছিল। মই আকৌ আগৰ দৰেই বান্ধি থৈছোঁ। কাপোৰখনেৰে মনেৰে কোনোবাই পাগুৰি মাৰিছিল হ'বলা। পাগুৰিটো মাৰি সোলোকাই থোৱাৰ দৰে চিন পাইছিলোঁ।

পানী—হয়, হয়! সেই খনেই কাপোৰ। তই ক'ত পালি?

বগা—বাৰী-চুকত যে সেই শিমলু গছ জোপা আছিল, কেৰোণে খোৱা গছ, এতিয়া ভাগি পৰিল। তাৰ আগতে চিলনীৰ বাহ এটা আছিল। মই আকৌ বোলোঁ, ভাল হৈছে, চিলনী পোৱালী থাকিব পায়, লৈ আহোঁগৈ। তেনেকৈ বুলি গৈ, বাহটো চাওঁগৈ, দেখোন চিলনী পোৱালী নাই, আছিল এই ৰূপ গাল!

পানী—আজি মোৰ নিশ্চয় বৰ ভাল দিন; ন'হলে হেৰোৱা ধন এই দৰে ঘূৰি ঘূৰি পাই হুফুৰোঁ। আপোনালোকে ধূলা দিয়াহি বাবেই

হে আজি মোৰ ঘৰত এনে মঙ্গল মিলিছে। বাৰু, তই যা; এয়াও আমাৰে ধন হয়।

(বিহুৱা আৰু বগাইৰ প্ৰস্থান)

ভাগ্যকন্যা—সকলো গৃহস্থৰ কপালেৰে হয়। আমি খন্তেকীয়া আলহী মানুহৰপৰা একো হ'ব নোৱাৰে!

পানী—মোৰ যি ধন-বিত হৈছে, সকলো আপোনালোকৰ পৰাই হৈছে; সেই দেখি হে কৈছিলোঁ বোলোঁ আপোনালোকৰ গুণ মই জনমে জনমে পাহৰিব নোৱাৰোঁ। আপোনালোকে দিয়া ৰূপ ডুশ হেৰাই-ছিল হয়; তথাপি সেয়েহে মোক মানুহ কৰিলে। সেই ডুশ ৰূপৰ কেনেকৈ ধাৰ শুজোঁ, মোৰ এয়ে মহা চিন্তা হ'ল। সেই গুণেই মই মুৰ পুতি কাৰবাৰত ধৰিলোঁ। এতিয়া চাওক, সিকি এটা মুলধনৰপৰা ইমান ডাঙৰ ফইৰ কাৰবাৰ হৈ উঠিল। আৰু সেই সাহ ডোখৰৰ কথা, আপুনি ধেমালিকৈহে কৈ গৈছিল, বোলে—"ইয়াৰপৰাই সোণৰ গছ গজিব পাৰে"; সেই কথা হাতে হাতে ফলিয়ালে; বাস্তবিকতে তাৰপৰা মোৰ সোণৰ গছ গজিল। ধন সোণেৰে মই আপোনালোকৰ ধাৰ শুজিব নোৱাৰোঁ; তথাপি শলাগৰ চিন বুলি, এই এহেজাৰ সোণৰ মোহৰ আগত থৈ, আপনালোকক মান ধৰিছোঁ। (শৰাই এখন আগ বঢ়াই দিয়ে)। আপোনালোকে ইয়াকে অঘিণকৈ গ্ৰহণ কৰি, মোক ধাৰৰপৰা মুকলি নকৰিলে, মোৰ মনৰ খুকুৰি নেভাগে।

ধ-ক—তোমাৰ মনত, এই ধাৰৰ বাবে, মিছাতে খুকুৰি লগাই থোৱা ভাল নহয়। এতেকে এই এহেজাৰ মোহৰ আদৰেৰে গ্ৰহণ কৰি, আমি তোমাক আমাৰ ধাৰৰপৰা অতি আনন্দেৰে

মোকোলাই দিলোঁ। কিন্তু, তোমাৰ কৰ্ত্তব্য-জ্ঞান দেখি আমি বৰ মোহিত হৈছোঁ। সেই গুণে মৰমৰ চিন বুলি, আমিও এই মোহৰ হেজাৰকে আকৌ তোমাক উপহাৰ দিলোঁ। আৰু আমাৰ এই ক্ষুদ্ৰ উপহাৰটি তুমিও অখিণ্ণকৈ গ্ৰহণ নকৰিলে, আমাৰ মনতো সন্তোষ নেলাগে।

পানী—আপোনালোকে এই দৰে আৰু কথাৰে বান্ধিলে, কি উপায় আছে? বাৰু, আপোনালোকে মোক কৈছিল বোলে, পাচত পৰিচয় দিম। এতিয়া পৰিচয় পাবলৈ প্ৰাৰ্থনা কৰিছোঁ; আৰু দুদিন এদিন যেন মোৰ ঘৰত জিৰাই যায়, এই আশা কৰিছোঁ।

ধ-ক—শুনা শুনা, দিও তেনে পৰিচয়;

ভাগ্যকন্যা এওঁ
অধিষ্ঠাত্ৰী দেৱতা ভাগ্যৰ;
মোৰ নাম ধনকন্যা, ধনৰ দেৱতা।
ভাগ্য আৰু ধন,
কাৰ কত বল,
তোমাকে হাতত লৈ
কৰি চালোঁ পৰীক্ষা ইয়াৰে।
দিলোঁ ধন দুবাৰ তোমাক,
ভাগ্য নথকাৰ বাবে
পোৱা ধনো উড়ি গ'ল, সুফল ন'হল।
সৌভাগ্য উদয় হ'ল, পাচত যেতিয়া।
চাই থাকোঁতেই
এনেয়ে সকলো হ'ল,
আপুনি চাপিল ধন কঁকৰাৰপৰা।

এতেকতে, দেখা গ'ল পৰীক্ষাত,
ভাগ্যৰেহে সঁচা বল,
ধনত সকাম নাই ভাগ্য নেথাকিলে।

ভা-ক—তোমাৰ সুন্দৰ আৰু সৰল চৰিত্ৰ
দেখি প্ৰীতি পালোঁ অতিশয়।
দিলোঁ বৰ, শুনা, শুনা—
তোমাৰ ঘৰত
সদায় থাকিম মই,
নেৰোঁ নেৰোঁ তোমাক নিশ্চয়।

ধ-ক—শুনা শুনা ময়ো দিলোঁ বৰ—
ময়ো নেৰোঁ তোমাক কদাপি।
আছোঁ আমি ছদ্মবেশ ধৰি,
চোৰাঁ চোৰাঁ, দেখুৱাওঁ স্বৰূপ মূৰতি।

(ভাগ্যকন্যা আৰু ধনকন্যাৰ অন্তৰ্দ্ধান)

পানী—এঁ! এঁ! কেনি গ'ল!

# পট পৰিৱৰ্ত্তন

## মায়া কানন।

(ভাগ্যকন্যা, ধনকন্যা আৰু দুইৰো সখীসকল)

পানী—কেতুকী-মাক, বেগাই আহাঁ! বেগাই আহাঁ! আহাঁ! আহাঁ!
চোৱাঁহি! চোৱাঁহি!

(বেগেৰে মাণিকীৰ প্ৰবেশ)

মাণি—কি হল ? কি হল ?

পানী—চোৰাঁচোন, চোৰাঁ, চোৰাঁ।

(পানীৰাম আৰু মাণিকীয়ে ভেবা লাগি চাই থাকে)

(নৃত্য গীত)

ডা-ক, ধ-ক আৰু সখীসকল } মনোৰঞ্জন দুখভঞ্জন
কৰি ফুৰোঁ ঘৰে ঘৰে।

(কিয়) চঞ্চলা বুলি গঞ্জনা আমাক মিছাতে কৰে।

মোহিব জানিব যেয়ে
ৰাখিব পাৰিব সেয়ে

চঞ্চলা গুচি, অচলা হওঁ, চিৰকাল আমি তাৰে।

কৰিলেহে অযতন,
আহি ঘূৰি ঘূৰি, যাওঁ উড়ি উড়ি
নপৰে নৰহে মন ;

ভাবুকে ভালেৰে, ভাবিবাঁ ধীৰেৰে, মনে নধৰেনে ধৰে।

যৱনিকা পতন।

সমাপ্ত।

এই লিখকৰে তলত লিখা কিতাপ কেইখন পঢ়ক ঃ—

## (১) মেঘনাদবধ (নাটক)

ইয়াৰ পৰিচয়ৰ প্ৰয়োজন নাই ; ই অসমীয়া নাট্য সাহিত্যত যুগান্তৰ প্ৰৱৰ্ত্তালে প্ৰকাশক—বৰকটকী কোং, যোৰহাট।

## (২) তিলোত্তমা-সম্ভৱ (নাটক)

ইও মেঘনাদবধৰ শাৰীৰে। প্ৰকাশক—ভট্টাচাৰ্য্য এজেন্সী, ডিব্ৰুগড়।

## (৩) ৰাজৰ্ষি (নাটক)

তিনি অঙ্কৰ, অমিত্ৰাক্ষৰ ছন্দৰ চুটি নাটক। প্ৰকাশক—শ্ৰীকৰুণাধৰ বৰুৱা, দৰ্পণ প্ৰেচ, যোৰহাট।

## (৪) ৰঞ্জন (বিবিধ কবিতা)

প্ৰকাশক ঃ—লিখক নিজে। দৰ্পন প্ৰেচত পোৱা যায়।

ৰঞ্জনৰ বিষয়ে কেইটামান অভিমত চাওক ঃ—

### ৺লক্ষ্মীনাথ বেজবৰুৱা ঃ—

আপোনাৰ "ৰঞ্জন" পাই পঢ়ি চাই বৰ আনন্দ পালোঁ। ব্যঙ্গ কবিতাত আপুনি যে সিদ্ধহস্ত, তাৰ চিনাকি অনেক দিনৰ আগৰ পৰাই পাই আহিছোঁ। "কা-কা-কাব্যবিশাৰদোঽহং", "অসমীয়া ভাষা", ইত্যাদি কবিতা কেইটামানি বাঁহীত বৰ ৰং মনেৰে ঠাই দিছিলোঁ। "ৰঞ্জনত" দিয়া কবিতাবোৰৰ ভাল বেয়া মই বাছিব নোৱাৰোঁ, কাৰণ এটাইবোৰ মোৰ ভাল লাগিছে। কিতাপখনৰ

গঢ় আৰু ছপা শুৱনি হৈছে। বৰ্ণাশুদ্ধি ভুল আজিকালি ছপোৱা কিতাপত পাচীয়ে পাচীয়ে দেখা যায়। এইটো বৰ সুখৰ কথা যে আপোনাৰ কিতাপত সেইটো কুগ্ৰহ নাই বুলিলেই হয়।

"ৰঙ্গনে" পাঠক পাঠিকাৰ মনোৰঞ্জন কৰিবই; তাৰ উপৰি, আৰু এটা ডাঙৰ কাম কৰিব, যথা—ভণ্ড অপদাৰ্থৰ পিঠিত সোকা মেলি, তাৰ আৰু দৰ্শকৰ চকু মোকোলাই দিব। মোৰ শ্ৰদ্ধা আৰু সাদৰ সম্ভাষণ গ্ৰহণ কৰিব। ইতি

সম্বলপুৰ, ৭।৫।২৭ — আপোনাৰ
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

## ৺হেমচন্দ্ৰ গোস্বামী:—

কিতাপখন হাতত পৰা মাত্ৰকে সকলো কাম কাতি কৰি থৈ, আগৰ পৰা শুৰিলৈকে পঢ়িলোঁ। যদিবাও বহুত কবিতা আগৰ পঢ়া আছিল, তথাপি সেইবোৰ পঢ়িও নতুন আনন্দ পালোঁ। ন-কৈ ওলোৱা কবিতাখিনি পঢ়ি তাতোকৈ বেচি আনন্দ পালোঁ। মুঠতে ক'বলৈ গ'লে, আমাৰ ভাষাত এনে সৰব্‌ৰহী আৰু ধেমেলীয়া কবিতা বহুত দিন পঢ়া নাছিলোঁ। তোমাৰ কবিতাৰ ভাষা যেনে সৰল আৰু ধুনীয়া, ভাবো তেনে আঁত নলগা আৰু বাছকবনীয়া। বঙ্গভাষাত দ্বিজেন্দ্ৰলালৰ কবিতাই যেনে আদৰ পাইছে, অসমীয়া ভাষাত তোমাৰ কবিতায়ো তেনে আদৰ পাব বুলি মোৰ বিশ্বাস। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ, এই দৰে কবিতাৰ নিতৌ নতুন বিনন্দিয়া মালা গাঁথি মাতৃভাষাকে সজাবৰ নিমিত্তে তোমাক যেন দীৰ্ঘজীৱী কৰে।

গুৱাহাটী, ২১-৩-২৭ — তোমাৰ
শ্ৰীহেমচন্দ্ৰ গোস্বামী।

## শ্ৰীযুত উপেন্দ্ৰনাথ বৰুৱা :—

I have read you "Ranjan" with unfeigned pleasure. It is a book worth reading. You have nicely treated our social evils in an amusing and instructive satarical vein, which is really delightful. Your thoughts are so beautifully put in pure and simple Assamese, that I find no words to admire them. You are long known to the Assam public as an Assamese author of versatile genius. May god grant you long life and good health to be more useful and serviceable to your country. I hope to see your book in the hand of every young Assamese.

Jorhat
12th Sept, 1727

Yours Sincerely
Upendranath Baruah.

## ৰায়বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা।

Many thanks for yor book "Ranjan". I find the book very instructive and befitting the time. Really I like the book very much.

Jorhat
15-5-2

Yours affly.
K. K. Borooah

## শ্ৰীযুত বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য ঃ—

It gives me great pleasure to receive your book 'Ranjan", for which I thank you very much. The book really deserves the name.. This is the sort of books, we require at the present age.

Jorhat
25-5-27

Yours affly.
Buddhindranath Bhattacharya

---


## লৰা-ছোৱালীক নতুনপাঠ পঢ়াওক ।

ক মানলৈ ১ম ভাগ, খ মানলৈ ২য় ভাগ, ১ম মানলৈ ৩য় ভাগ, ২য় মানলৈ ৪র্থ ভাগ, ৩য় মানলৈ ৫ম ভাগ, আৰু ৪র্থ মানলৈ ৬ষ্ঠ ভাগ নতুনপাঠ কিনক। নতুনপাঠ উৎকৃষ্ট প্ৰাইমেৰী সাহিত্য। প্ৰকাশক শ্ৰীকৰুণাধৰ বৰুৱা, দৰ্পন প্ৰেচ, যোৰহাট।


---

যোৰহাট দৰ্পণ প্ৰেচত—
শ্ৰীনন্দধৰ বৰুৱাৰ দ্বাৰা
ছপা হʼল।